চান্দমামা

এপ্রিল ১৯৯৭



Rs. 30/-



Rs. 40/-



Rs. 30/-

Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

प्रिमियर कैमरा



- 35 MM Compact Camera
- 36 रंगीन एवं ब्लैक एण्ड व्हाइट फोटो देनेवाला
- फ्लैश-अटैचमेंट सिस्टम
- उपहार के लिये श्रेष्ठ

कीमत में भारी छूट 750/- रु. वाला अब केवल 450/- रु. में उपलब्ध। डाक-खर्च 30/- रु.। पसंद न आने पर कीमत वापस।

007 टॉय रिवालवर

बिल्कुल नई तकनिक

लाइसेंस आवश्यक नहीं

जानवरों, पक्षियों एवं चोरों से अपनी आत्म-रक्षा हेतु तथा नाटक, पिकनिक आदि के लिये 7 राउन्ड ऑटोमैटिक रिवॉल्वर। कीमत 200 रु. डाक खर्च 30/- रु.

100 बुलेट एवं स्पेशल वेल्ट-केश मुफ्त

नापसंद आने पर कीमत वापस

दोनों सामान एक साथ मंगाने पर डाक खर्च मुफ्त

VIVEK TRADERS (CV)

P.O. MAIRA BARITH (GAYA)

চান্দমামা

এপ্ৰিল : ১৯৯৭

গৌতম গোস্বামী
৭/৪/১৯৯৭

এই সংখ্যাত আছে

সুন্দৰৰ ন-দিগন্ত	...৭	সোণালী দুৱাৰ	...৪১
আমেৰিকীয়	...৯	মহাভাৰত	...৪৫
ভাৱেৰে কলে পকা ধানে দিয়ে বাট	...১০	চান্দমামাৰ খুচ-খবৰ	...৫২
পাটোৱাৰী-বুধি	...১৬	চান্দমামা ক্ৰোড়পত্ৰ	...৫৩
সম্ৰাট অশোক	...১৭	মানুহৰ আচল বেমাৰ কিহত	...৫৬
অপৰা-শক্তি	...২৫	প্ৰগল্‌ভ পাঁজি	...৬০
সাগৰৰ পাৰে পাৰে	...৩৩	ওপৰলৈ থুৱালে ...	...৬১
আবতৰীয়া বেঙেনা	...৩৭	ফোটো-নামকৰণ	...৬৬

খনে : ৬.০০ টকা
বছৰি : ৭২.০০ টকা

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

'ସଚିତ୍ର ବିଜୟା' : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ଓଡିଆ ଭାଷାବର୍ଷ ବିଶେଷାଙ୍କ : ଏପ୍ରିଲ ସଂଖ୍ୟା



ମୁଖ୍ୟ ପ୍ରସଂଗ : ଓଡିଆ ଭାଷା ବନାମ ସରକାରୀ ଭାଷା, ଧାରାବାହିକ ଉପନ୍ୟାସ : ମନୋଜ ଦାସଙ୍କ 'ଆକାଶର ଇସାରା'ର ସମାପ୍ତି, କବି ଓ କବିତା : ଜାନକୀ ବଲ୍ଲଭ ମହାନ୍ତି (ଭରଦ୍ୱାଜ), ଅସ୍ତରାଗ : କେନ୍ଦୁଝରର ରାଜାସାହେବ, ମୁଁ ମୋ ବାପାଙ୍କୁ ଯେପରି ଜାଣେ : ରାଜକିଶୋର ରାୟ, ବ୍ୟକ୍ତିତ୍ୱ: ସୁରେନ୍ଦ୍ର ଦ୍ୱିବେଦୀ, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଂଗରେ ବିସ୍ମୃତ ମୁଳକର କତିପୟ ବରପୁତ୍ରଙ୍କ ଠାରୁ ରଂଗୀନ ଦ୍ୱିପତ୍ର : ରୌଦ୍ରର ରଂଗ ଯାଏ ବହୁ ବିଚିତ୍ର ବର୍ଣ୍ଣବିଭା ।

୮୪ ପୃଷ୍ଠାର ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ରମୟ ସଂଖ୍ୟାର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ 'ଜହ୍ନମାମୁଁ' ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

চান্দমামা

সংস্থাপক : চক্রপাণি ✷ সঞ্চালক : নাগিৰেড্ডি

সুন্দৰৰ ন-দিগন্ত

এন.ছি.ই.আৰ.টি (NCERT) হ'ল ভাৰতৰ শিক্ষা-ব্যবস্থাৰ বিষয়ে গৱেষণাকাৰী অন্যতম মুখ্য সন্থা। এই সন্থাই ভাৰতৰ শিক্ষা-ব্যৱস্থাত শিশুহঁতৰ তথা চেমনীয়া ছাত্ৰহঁতৰ চিত্ৰাঙ্কণ শিক্ষাক বাধ্যতামূলক কৰিবলৈ মতামত দাঙি ধৰিছে। তেওঁলোকে শিশুশ্ৰেণীৰপৰা দশমমান শ্ৰেণীলৈকে চিত্ৰাঙ্কণ-শিক্ষা দানৰ বিষয়ে দৃঢ় মত প্ৰকাশ কৰিছে। কিছুমান বিদ্যালয়ে এন.ছি.ই.আৰ.টি-ৰ এই চুপাৰিছ গ্ৰহণ কৰিছে, আৰু চিত্ৰাঙ্কণ-শিক্ষকো নিযুক্ত কৰিছে, 'আৰ্ট'ক অধ্যয়নৰ এক আংশ্যিক বিষয়ৰূপে গ্ৰহণ কৰিছে।

কিন্তু এনেহেন পঢ়াশালিৰ সংখ্যা তেনেই তাকৰ। এক সমীক্ষাৰ যোগেদি জনা গৈছে যে আনকি চৰকাৰী বিদ্যালয় বা মিউনিছিপ্যাল-বিদ্যালয়সমূহে এই বিষয়ে মনেই নকৰা হৈছে। যদিহে আছেও কোনো কোনো বিদ্যালয়ত—চিত্ৰাঙ্কণ-শিক্ষাৰ শিক্ষক নাই ; কোনোবাজন অন্য বিষয়ৰ শিক্ষকেই এই বিষয়টোৰ 'চোৱা-মেলা' কৰা হয়। আনকি অগ্ৰগণ্য 'পাবলিক স্কুল'সমূহতো চিত্ৰাঙ্কণ-শিক্ষাৰ বন্দৱস্ত মুঠেই উন্নত নহয় বুলি এই সন্থাই তেওঁলোকৰ প্ৰতিবেদনত কৈছে।

অথচ—অঙ্কণ বা চিত্ৰাঙ্কণ শিশুহঁতৰ ক্ষেত্ৰৰ এক সুন্দৰ সৃষ্টিকাৰী গঠনমূলক বিষয়—যি-বিষয়ৰদ্বাৰা সিহঁতৰ প্ৰকৃত সৃষ্টিকামিতাৰ প্ৰকাশ হয়। অভিভাৱকসকলৰ যদি ধাৰণা হয় যে তেওঁলোকৰ ল'ৰা-ছোৱালী এই চিত্ৰাঙ্কণ-শিক্ষাৰ ফলত কেৱল চিত্ৰকাৰ হ'ব—ডাক্টৰ, বিজ্ঞানী বা আইনজীৱি হ'ব নোৱাৰিব—সেই ধাৰণাৰ গুৰিত দৰাচলতে কোনো যুক্তিনাই। কিয়নো যিকোনো চখেই (HOBBY) চিৰস্থায়ী নহয়, কিন্তু মানসিক বুদ্ধিবৃত্তিৰ উৎকৃষ্ট প্ৰকাশক। চিত্ৰাঙ্কণ-শিক্ষাৰ যোগেদি শিশুসকলৰ অন্তৰৰ তথা দৃষ্টি-স্বচ্ছতা প্ৰকাশিত হওক।

বছৰ : ২২ এপ্ৰিল ১৯৯৭ সংখ্যা : ১

খনে : ৬.০০ টকা ✷ বছৰি : ৭২.০০ টকা





CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

পৃথিৱীৰ খিৰিকীৰে

আমেৰিকীয় ৰাষ্ট্ৰপতি

আমেৰিকাৰ ৰাষ্ট্ৰপতি-ভৱন হোৱাইট হাউছত দ্বিতীয় বাৰৰ বাবে ৰাষ্ট্ৰপতি ৰূপে শপত গ্ৰহণানুষ্ঠানৰ অন্তত উইলিয়াম জেফাৰছন ক্লিনটন দেউৱে কৈছে : মই হ'লোঁ ২০-২১ শতিকাৰ সংযোগ-সেতু। তেওঁ এই বিংশ শতিকাৰ শেষ আমেৰিকীয় ৰাষ্ট্ৰপতি, আৰু একবিংশ শতিকাৰো প্ৰথমগৰাকী ৰাষ্ট্ৰপতি। তেওঁ হ'ল আমেৰিকাৰ ৪২তম ৰাষ্ট্ৰপতি, বিশ্বযুদ্ধৰ অন্তত দ্বিতীয়গৰাকী ডেম'ক্ৰ্যাট ৰাষ্ট্ৰপতি।

আমেৰিকাৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ষাঠি বছৰৰ আগতে নিৰ্বাচিত হৈছিল ফ্ৰাংকলিন ডিলানো ৰুজভেল্ট। তেওঁক একেবাহে চাৰিবাৰলৈ ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত কৰা হৈছিল। বিশ্বযুদ্ধৰ সমাপ্তিকালতে, ১৯৪৫ চনৰ এপ্ৰিলৰ বাৰ তাৰিখৰ দিনা ৰাষ্ট্ৰপতি-পদত থাকোঁতেই তেওঁ লোকান্তৰিত হৈছিল।

ৰুজভেল্টৰ পাছত ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল ট্ৰুম্যান, ১৯৪৫ চনত। ১৯৬০ চনত আন এগৰাকী ডেম'ক্ৰ্যাট নেতাও ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল, জন্ কেনেডি। কিন্তু ১৯৬৩ চনৰ ২২ নৱেম্বৰৰ দিনা তেওঁক হত্যা কৰা হৈছিল। তাৰ পাছত—(ডেম'ক্ৰ্যাট) ৰাষ্ট্ৰপতি হ'ল লিনডন জনছন, আৰু—তেওঁৰ পাছত নিৰ্বাচিত হ'ল অন্যতম ডেম'ক্ৰ্যাট নেতা—জিমি কাৰ্টাৰ (১৯৭৭-৮১)।

১৯৯২ চনত ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল—বিল ক্লিনটন।

এশ বছৰৰ আগতে—অৰ্থাৎ এই শতিকাৰ আৰম্ভণিতে—ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল ৰিপাবলিকান নেতা উইলিয়াম ম্যাকিনলে।

১৯৯৬ চনৰ ডিছেম্বৰত যি নিৰ্বাচন অনুষ্ঠিত হৈছিল, সেই নিৰ্বাচনত ক্লিনটনদেৱে শতকৰা ৪২ ভাগ ভোট পাইছিল, আৰু তেওঁৰ প্ৰধান বিৰোধী প্ৰাৰ্থী ৰিপাবলিকান দলৰ নেতা ৰবাৰ্ট ডোলদেৱে পাই শতকৰা ৪১ ভাগ। স্বতন্ত্ৰ প্ৰাৰ্থী ৰাছ পেৰ্‌ৱাটে পাইছিল শতকৰা আঠভাগ।

এই বছৰৰ ২১ জানুৱাৰিৰ দিনা আনুষ্ঠানিকভাৱে পদ গ্ৰহণ কৰাৰ পাছত তেওঁৰ প্ৰথম ভাষণত ক্লিনটন মহোদয়ে দেশৰ একতাৰ ওপৰতেহে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিলে। এই ভাষণত তেওঁ আৰু কৈছে যে—আমেৰিকা সমগ্ৰ বিশ্বতে স্বাধীনতাৰ জ্যোতি বিকীৰ্ণ কৰিব। একবিংশ শতিকাত সমগ্ৰ বিশ্ব 'প্ৰজাতান্ত্ৰিক' হৈ উঠিব বুলি তেওঁ আন্তৰিক আশা প্ৰকাশ কৰিছে।



ভাৱেৰে কলে পকা ধানেও দিয়ে বাট

দীনবন্ধু আছিল দয়াৰামপুৰৰ অধিবাসী। তেওঁৰ বুদ্ধিমত্তাৰ কথা দয়াৰামপুৰৰ ঘৰে ঘৰে বিয়পা। দীনবন্ধুৰ এক বিশেষ প্ৰকৃতি আছিল এয়ে যে—কোনো দগাবাজ-প্ৰতাৰকক সিহঁতৰ কিটিপেৰেই কাবু কৰিছিল।

এবাৰ সুমন্তভট্ট নামৰ এজন পুৰোহিতে চন্দ্ৰধৰৰ ঘৰত কেদাৰব্ৰতৰ পূজা কৰি দিছিল আৰু চন্দ্ৰধৰে পূজা সাং হোৱাৰ অন্তত পুৰোহিত সুমন্তভট্টক এটকা চাৰিঅনা পৌৰোহিত্যৰ দক্ষিণা হিচাপে দিছিল।

পুৰোহিত সুমন্তভট্টই চন্দ্ৰধৰক ক'লে, "ডাঙৰীয়া, কমেও ৰূপ দহোটি দক্ষিণা হিচাপে পাম বুলি ভাবিছিলোঁ। আজিৰ দিনত পাঁচ সিকানো কি?"

চন্দ্ৰধৰডাঙৰীয়াই মুচুককৰে হাঁহি মাৰিলে আৰু ক'লে, "ভট্টদেউ, আমাৰ ককা-বোপাৰ আমোদৰ ঐতিহ্যক মই ফু-তে উৰাই দিব নোৱাৰোঁ নহয়—? কেদাৰব্ৰতৰ বাবে এয়ে হ'ল আমাৰ পূৰ্বজসকলৰপৰা চলি অহা দক্ষিণা। গতিকে—"

চন্দ্ৰধৰে যে মিছা কথা কৈ আছে, পুৰোহিত ভট্টই বুজি পাইছিল, কিন্তু কৰিবলগীয়া একো নাছিল। গতিকে—পুৰোহিত সুমন্তভট্ট ভাপলগা হৈও গুচিয়েই গ'ল।

ভট্ট পুৰোহিতে গৈ থাকোঁতে ঘৰৰ পিৰালিত বহি থকা দীনবন্ধুক দেখা পাই—চন্দ্ৰধৰ-চিকটাৰ কথাখিনি দীনবন্ধুক ক'বলৈ মন গ'ল। গৈ গৈ ভট্ট পুৰোহিত দীনবন্ধুৰ কাষ চাপিল। দীনবন্ধুৱে 'ক'ৰপৰা আহিল' বুলি সোধাত ভট্টই বেজাৰ মুখেৰে থোৰতে চন্দ্ৰধৰৰ ঘৰৰ কেদাৰ বৰতৰ কথা ক'লে, আৰু লগতে মন্তব্য কৰিলে "এই কথা ক'বলৈহে তোমাৰ কাষ চাপিলোঁ যে—চন্দ্ৰধৰ হ'ল তেনেকুৱা

মহীধৰ মহন্ত

মানুহৰ মাজৰ এটা—যিৱিলাকে মৰিশালিত মৃতকক দাহ কৰিবলৈ গন্তি কৰি খৰিকাঠ লৈ যায়, এডাল খৰিকাঠো যদি অধিক লগা হয় চিঞৰি-বাখৰি খলক লগায়। চন্দ্ৰধৰহেন চিকটা মই আজিপধ্যে আন ক'তো দেখা নাই। আজিৰ এই দিনতো এটকা চাৰিঅনা দক্ষিণা বোলে তাৰ আথাও-পুথাওৰ ঐতিহ্য!"

দীনবন্ধুৱে ভট্ট পুৰোহিতক ক'লে, "তেনেহ'লে চন্দ্ৰধৰেইবা তাৰ গেলামালৰ দোকানৰ বস্তুবোৰ পুৰণিদিনীয়া কামত কিয় নেবেচিব ? তেওঁৰ ককা-আজোককাৰ আমোলত, টকা-পাঁচ সিকাত আঠ সেৰ চাউল নিশ্চয় পাইছিল। ককা-আজোককাৰ ঐতিহ্য মানি কেৱল পুৰোহিতৰ দক্ষিণা দিলেহে হ'বনে—?" এই বুলি কৈ, দীনবন্ধুৱে ভট্টৰ কাণে কাণে কিবাকিবি শুন-নুশুনকৈ ক'লে।

ভট্টই দীনবন্ধুৰ এই সাৰুৱা পৰামৰ্শত বেছ ভালেই পালে।

পাছদিনা আগবেলাত ভট্ট পুৰোহিত চন্দ্ৰধৰৰ গেলামালৰ দোকানলৈ গ'ল, আৰু আঢ়ৈ সেৰ চাউল মোনাত ভৰাই লৈ দাম হিচাপে এটকা চাৰি অনা পইচা চন্দ্ৰধৰক দিয়াত চন্দ্ৰধৰে ভুৰু কোঁচাই কৈ উঠিল, "এটকা পঁচিছ পইচা কিয় ? চাউলখিনিৰ দাম দেখোন — পঁচিছ টকা!"

"ডাঙৰীয়া, আপুনি মোক আপোনাৰ ককা-আজোককাৰ দিনৰ ঐতিহ্য অনুসৰি দক্ষিণা দিছিল। আপোনাৰ কথা আছিল যে সেইকালৰ সেই ৰীতি আপুনি ভংগ কৰিব নোৱাৰে। এতেকে ময়ো সেইকালৰ ৰীতি তথা



মূল্য মতে আপোনাক চাউলৰ দাম দিলোঁ। আপুনি যদি পুৰণিদিনীয়া ঐতিহ্যৰ ধৰ্ম মানিছে—মই কিয় টুটাম ?" ভট্টই ক'লে।

ভট্ট পুৰোহিতৰ কথাখিনি শুনি দোকানৰ আগত থিয় হৈ থকা মানুহখিনিয়ে হো হো কৰে হাঁহি থাকিল আৰু চন্দ্ৰধৰে ভট্টৰ চিয়া-চৰিত শুনি চতীয়া বাওহে যেন লাগিল।

কথাটো গাঁৱত বিয়পি পৰিল, আৰু এই কাণ্ডৰ গুৰিত যে দীনবন্ধু আছে—সেই কথাত কাৰো মনত কণমান সন্দেহো নাথাকিল।

গাঁৱৰ কিছুমানে দীনবন্ধুক কথাটো সোধাত দীনবন্ধুৱে তেওঁলোকক ক'লে, "আমি বহুতেই কেতিয়াবা কেতিয়াবা ফন্দীয়কহঁতৰ ফান্দত পৰোঁ। আন উপায় নাথাকিলে—ফন্দীয়কহঁতক সিহঁতৰ ফান্দেৰেই



ফাঁহত সুমুৱাবৰ চেষ্টা কৰিব লাগে।”

এবাৰ মঙ্গলা নামৰ এজনী বাঁৰী মানুহে তাইৰ দুজনী ছোৱালীৰে সৈতে দয়াৰামপুৰলৈ আহিল আৰু তাত নিজৰ ভায়েকৰ পৰিয়ালতে বাধ্যত পৰি সোমাই থাকিল। কিন্তু মঙ্গলাৰ নবৌৱেকে মঙ্গলাক নানান কথাৰে উজকাৰ দি থকাত—জলা-কলা কৰাত—মঙ্গলাই গাঁৱৰে চাৰিআলিত এখন ভোজনালয় পাতিলে, আৰু তাইৰ ৰন্ধাৰ সোৱাদৰ গুণত প্ৰথমৰেপৰাই ভোজনালয় আশা কৰা মতে চলিবলৈ ধৰিলে।

এইখন গাঁৱতে হিৰণ নামৰ এজন মানুহে বহু দিনৰ আগৰেপৰাই ভোজনালয় এমন পাতিছিল, কিন্তু হিৰণৰ ভোজনালয় ৰন্ধা বস্তু খাবলৈ ভাল নোহোৱাত গ্ৰাহকৰ সংখ্যা ক্ৰমাত হ্ৰাস পাইছিল। এতিয়া, মঙ্গলাৰ ভোজনালয়ৰ খোৱাবস্তুৰ সোৱাদ ভাল হোৱাত হিৰণৰ ভোজনালয়ৰ অৱস্থা আৰু বেয়া হৈ পৰিল যেতিয়া, তেতিয়া হিৰণে উপায় এটা চিন্তি—দুজন মানুহক মঙ্গলাৰ ভোজনালয়লৈ খাবলৈ পঠালে, আৰু সিহঁত দুজনে লগত লৈ যোৱা পঁইতাচোৰাৰ ঠেং আঞ্জাত পেলাই দিলে। তাৰ পাছত ভাতত সেই আঞ্জা ঢালি লৈয়েই চিঞৰি চিঞৰি ক'লে, “এইবোৰনো কি কথা—? আঞ্জাত দেখোন পঁইতাচোৰাৰ ঠেং! কিনো কলিযুগ আহিল? এনেয়ে অন্ন বেচা পাপ, তাতে পঁইতাচোৰাৰ ঠেং!” এই বুলি কৈ, সিহঁত দুটা গুচি গ'ল, আৰু তেতিয়া তাত খাই থকা খৰিদ্দাৰহঁতেও এই কথাত মঙ্গলাক ককৰ্থনা কৰি থাকিল—“ভোজনালয়ত ঠিকমতে সাৱধানতা নল'লে এনেকুৱা কথা-কান্ড হৈ থাকিবই।”

হিৰণ এইখিনিতে নৰ'ল। সি আৰু কেইজনমানক শিকাই-বুজাই মঙ্গলাৰ ভোজনালয়লৈ পঠালে, আৰু সিহঁতে ডালিত পোক, শাকত মঙহৰ টুকুৰা আদি পেলাই পাছত এই কথাত হৈ-চৈ লগাই দিবলৈ ধৰিলে।

এইবোৰ লন্ড-ভণ্ড কাণ্ডৰ আঁৰত যে হিৰণৰ হিংসায়েই, কথাটো মঙ্গলাই উমানতে গমিলে। আৰু চাওঁতে চাওঁতে ভোজনালয়ত গ্ৰাহকৰ সংখ্যা যে তাকৰি আহিল, তালৈকো মন কৰিলে।

ভাবি ভাবি এদিন মঙ্গলা দীনবন্ধুৰ কাষ চাপিল, আৰু দীনবন্ধুৰ ওচৰত সকলোখিনি কথা ক'লে, আৰু লগতে দীনবন্ধুৰপৰা দিহা-পৰামৰ্শ প্ৰাৰ্থনা কৰিলে।

দীনবন্ধুৱে মঙ্গলাক ক'লে; "মগনিয়াৰৰ শতুৰু মগনিয়াৰেই হয়। বেপাৰীৰ শতুৰুও বেপাৰী। তাৰ নিজৰ ভোজনালয় ঠিকমতে নচলাত হিৰণেই এই উপায় লৈছে যে—সেই কথাত সন্দেহ নাই। তুমি এটা কাম কৰা। এই বিষয়ে মহেন পালোৱানক সকলো কথা ভাঙি-পাতি কোৱাগৈ। মহেনে—লাগিলে হিৰণক — বা তাৰ লগা-ভগাহঁতকো জোখে-জোখাৰেই পোনাব পাৰিব, সেই সাহস তাৰ আছে, আৰু ন্যায়কথাত যেইকোনো মানুহক সহায় কৰাৰ সাহসো তাৰ আছে। তুমি তাক তোমাৰ ভোজনালয়তে থাকিবলৈ ক'বা, কিয়নো সি একটা ভাড়া ঘৰত থাকে, আৰু তাৰ কোনো-কেও ক'তো নাই। সি যদি তোমাৰ ভোজনালয়ত থাকিবলৈ মান্তি হয়, সিয়েই হৈ উঠিব তোমাৰ ৰক্ষা-কৱচ।"

দীনবন্ধুৰ দিহা মতে মঙ্গলাই মহেন পালোৱানক সকলো কথা ক'লেগৈ। তাৰ পাছত তাই মহেনক আৰু ক'লে, "মোৰ সহায় হৈ তুমি ভোজনালয়ত থাকা যদি—মই তোমাক তাত আছুতীয়াকৈ কোঠা একটা সাজি দিম, আৰু তোমাক মাহে-মাহে কিছুখিনি মাননীও দি থাকিম।"

মঙ্গলাৰ এই কথাত মহেন কিঞ্চিত ক্ষুব্ধ হ'ল। মহেনে ভাবিলে : এই বাঁৰী মানুহজনীয়ে মোক ভাড়ালৈ লোৱা গুণ্ডা হিচাপেহে ল'ব খুজিছে। কিন্তু পৰামৰ্শ দীনবন্ধুৱে মঙ্গলাক দিছে যে—সেই কথাটো ভাবি মহেন শান্ত হ'ল আৰু সি মঙ্গলাৰ প্ৰস্তাৱত হয় কৰিলে।

তাৰ পাছত—মহেন পালোৱান মঙ্গলাৰ ভোজনালয়লৈ গ'ল আৰু তাতেই থাকিবলৈ ল'লে। কিছুদিনৰ অন্তত মহেনে মঙ্গলাৰ ডাঙৰ ছোৱালীজনী মন্দিৰাক বিয়া কৰাবলৈকো মন মেলিলে, আৰু মন্দিৰায়ো মহেনক ভাল পাই পেলালে।

আৰু—কিছুদিনৰ অন্তত হিৰণে পুনৰ দুজন মানুহক খাওঁতাৰ ভেশত যেতিয়া মঙ্গলাৰ ভোজনালয়লৈ পঠালে, আৰু সিহঁত দুটাই আঞ্জাত জেঠিৰ নেজৰ সৰু সৰু টুকুৰা পেলাই আঞ্জাৰ বাটি হাতত লৈ চিঞৰি ক'বলৈ মুখ মেলিলে, তেতিয়া মহেনে সিহঁত দুটাৰ পিঠিত ঔ, গালত লপা, আৰু — কাণত কাণটলীয়া মাৰিলে আৰু সুধিলে, "কোৱা, শীঘ্ৰে কোৱা, তোমালোকক কোনে ইয়ালৈ পঠাইছিল। যদি নোকোৱা, তোমালোকৰ পিঠিৰ ছাল নাথাকিব

কেছোঁহ — । শুনিছানে নাই ?"

সিহঁত দুটাই তিমানতে ধাৰৰ নলকঁপা দিছিলেই। সিহঁতে বাধ্যত পৰি হিৰণে সিহঁতক পঠোৱা বুলি কৈ দিলে।

মহেনে আন চাৰিজন মানুহক লগত লৈ হিৰণক ধৰি লৈ আহিল আৰু পোনে পোনেই দীনবন্ধুৰ ওচৰলৈ লৈ গ'ল।

দীনবন্ধুৰে হিৰণক একো নৌসোধোঁতেই হিৰণে কান্দি কান্দি কৈ থাকিল, "দীনবন্ধু, এতিয়াহে মই বুজি পালোঁ যে—মহেন পালোৱানক তুমিয়েই মঙ্গলাৰ তাত থাকিবলৈ দিহা কৰি দিছিলা। সঁচা কথা হ'ল এয়ে যে—মোৰ ভোজনালয়ৰ ইমানদিনীয়া কাৰবাৰৰ মুদামঙ্গলায়েই মাৰিছিল, আৰু তাৰ কাৰণেই মই মঙ্গলাৰ ভোজনালয়লৈ ভাড়ালৈ লোৱা মানুহ পঠিয়াই ভোজনালয়ৰ বদনামৰ টৌ তুলিছিলোঁ। তুমি যি শাস্তি দিবা মই মূৰপাতি ল'ম।"

"হিৰণ, কাৰোবাক শাস্তি-শলা দিয়াৰ অধিকাৰ বা ক্ষমতাও মোৰ নাই। মই কোনো শাসনকৰ্তা বা গাঁওবুঢ়াও নহওঁ। কিন্তু এষাৰ কথা ভালকৈ শুনি থোৱা—আনৰ অনিষ্টকাৰীক আনকি ঈশ্বৰেও মোৰ নোবোলে। আনৰ উপকাৰকাৰীক কেৱল ঈশ্বৰেই নহয়, ৰাইজেও ভাল পায়। তুমি মঙ্গলা নামৰ অসহায় বাঁৱীজনীৰ যি অপকাৰ সাধিলা, তাৰ ফলত গাঁৱৰ ৰাইজে তোমাক ঘিণহে কৰিছে। আৰু তাৰ ফলত—তোমাৰ অন্যান্য যিবোৰ সৰুসুৰা কাৰবাৰ আছে—সেইবোৰো বৰ্বাদ হোৱাৰ উপক্ৰম হৈছে। ভাবি চোৱা—এনেবোৰ লেতেৰা হিংসাৰে তোমাৰ কিবা লাভ হৈছেনে ? যদি পুনৰ সৎভাবে কাম-বন কৰাৰ মন আছে—এটা কাম কৰা। মহেনে মঙ্গলাৰ ডাক্তৰজনী ছোৱালী মন্দিৰাক বিয়া কৰাব, তুমিও সৰুজনীক—মামণক আপোন কৰি লোৱা। তাৰ পাছত সকলো ঠিক হৈ যাব, আৰু ৰাইজেও তোমাৰ এই সৎকাৰ্য্যৰ শলাগ ল'ব। জানি থোৱা, ভাৱেৰে কলে পকা ধানেও বাট দিয়ে।"

হিৰণে দীনবন্ধুৰ দিহা-পৰামৰ্শ মুকলি মনেৰেই মানি লৈছিল, আৰু মঙ্গলাজনীয়েও ইমানদিনৰ বেদনাগধুৰ অস্বস্তিৰ দিনবোৰ পাৰ হৈ, দুখৰ সাগৰ পাৰ হৈ, স্বস্তিৰ উশাহ লৈ সুখৰ মুখ দেখা পাইছিল।

পাটোৱাৰী-বুধি

ভূপাল আছিল ভুৱনগিৰিৰ পাটোৱাৰী—অৰ্থাৎ মাটি পিয়ল কৰা বিষয়া। এদিন ঘৰৰ পিৰালিত বহি বহীত থকা হিচাপখিনিলৈ চকু ফুৰাই থাকোঁতে তেওঁৰ পৰিবাৰ ভামিনীয়ে ক'লেহি, "আমাৰ মা-জনীৰ—সৌদামিনীজনীৰ জন্মদিন উপলক্ষ্যে সকলোটিক মিঠাই খুৱাম বুলি যে কথা দিছিলোঁ—মনত আছেনে আপোনাৰ ?"

"আছে আছে—কিয় নাথাকিবহে ? মিঠাই আনি দিম, চিন্তা নাই।" এই বুলি কৈ, ঘৈণীয়েকক ঘৰৰ ভিতৰলৈ পঠাই দিলে আৰু পুনৰ হিচাপৰ বহীতে মন দিলে।

অলপ পাছত সেই বাটেদি গৈ থকা শ্যামক ভূপালে মাতিলে, আৰু তাক সৰু সৰুকৈ কিবাকিবি ক'লে। শ্যাম গুচি গ'ল, আৰু তাৰ পাছত সেই বাটেদি সুৰেনক আহি থকা দেখি পাটোৱাৰে সুৰেনকো মাতি শুন-নুশনাকৈ কিবাকিবি ক'লে।

সুৰেন গুচি যোৱাৰ লগে লগেই ভামিনীয়ে পুনৰ গিৰিয়েকক ক'লেহি, "নিজৰ কামত ইমান মনপুতি লাগিছে—অথনি কোৱা মিঠাই অনাৰ কথাটো কিজানি পাহৰিয়েই পেলাইছে।"

"এ—নহয়হে—নহয়। মই মিঠাইৰ কামতে লাগি আছোঁ।" ভূপালে ক'লে। গিৰিয়েকলৈ ভামিনীয়ে সন্দেহৰ দৃষ্টিৰে চালে আৰু তাৰ পাছত ঘৰৰ ভিতৰলৈ খোজ বঢ়ালে।

অলপ পাছত আন দুজন চিনাকী মানুহো পাটোৱাৰীৰ ঘৰৰ আগেদি গৈ থাকোঁতে পাটোৱাৰীয়ে সিহঁত দুজনক হাত-বাউল দি মাতিলে, আৰু সিহঁতকো কিছুখিনি কথা ফুচফুচাই ক'লে।

এইবোৰ কথা-কাণ্ড ঘৰৰ ভিতৰত পালেঙৰ ওপৰত বহি ভামিনীয়ে চাই আছিল, কিন্তু পাটোৱাৰীয়ে সিহঁতক যে কি কথা কৈছিল বুজি পোৱা নাছিল। ভামিনীয়ে আৰু ৰ'ব নোৱাৰি পুনৰ গিৰিয়েকক ক'লেহি, "বাটৰুৱাহঁতক মাতি আনিছে, কিবাকিবি কৈছে, নিজৰ হিচাপ চাইছে, চব কৰি আছে, কিন্তু মিঠাই আনিবলৈ নাম-গোন্ধকে নকৰা হৈছে।"

"হাৰে মস্কিল ! মই যিমানকে মাতি আনিছোঁ মিঠাইৰ কথাকে কৈছোঁ। এই মানুহকেইজনে

উষাৰাণী চলিহা

তোমাৰ মিঠাইৰ বন্দৱস্ত কৰিবলৈহে যত্নপৰ হৈছে যে—বুজানাই তুমি।" পাটোৱাৰীয়ে হাঁহি হাঁহি ক'লে।

"মই ভামিনীয়ে ইমানেই ভেলেন্ডী হ'লোঁনে যে—মিঠাই আনিবলৈ ইমান মানুহক লগা হৈছে বুলি ভাবিম ? এই কামটো কৰাৰ বাবে এজনেই দেখোন যথেষ্ট। আপোনাৰ এই কথাত মই পতিয়ন যাব পৰা নাই। আপুনি মোৰ লগত কিখন ধেমালি যে লগাইছে—ঠাৱৰকে কৰিব পৰা নাই মই।" ভামিনীয়ে ক'লে।

পাটোৱাৰীয়ে হাঁহি মাৰি ক'লে, "কিন্তু লাহিড়ীৰ কিজানি মিঠাই বেচাৰ মনেই নাই।"

"কথা বৰ আচৰিতেই পাইছোঁ—মিঠাইৰ দোকানীয়ে মিঠাই নেবেচিব কিয় ? বেচাৰ কাৰণে মিঠাই বনায়—নে নিজেই খাবলৈ ? কথা কি—চাফ চাফ কওক।" ভামিনীয়ে ক'লে।

"শুনা তেন্তে—ক'ৱেঁই। লাহিড়ীৰ দোকানলৈ গ'লোঁ, আৰু তাক সুধিলোঁ যে মিঠাইৰ দাম কিমানকৈ ল'ব। লাহিড়ীয়ে ক'লে যে—এসেৰত সত্তৰ টকাৰ কমে কোনো মিঠাই নাই। বহুত ক'লোঁ দাম কিছু কমাবলৈ, নকমালে। তেতিয়া মই এক উপায় চিন্তিলোঁ—আৰু সেই উপায় কাৰ্য্যকৰী কৰিবলৈ কেইবাজনো মানুহক লাহিড়ীৰ দোকানলৈ পঠালোঁ—মিঠাইৰ দাম সুধিব, আৰু কিনোতাৰ ভাও দি মিঠাই চাকিও চাব। এই মানুহ কেইজনে বেলেগে বেলেগে যাব, আৰু মিঠাই চাকি চোৱাৰ পাছত বেয়া বুলি ক'ব—ইমানেই সিহঁতৰ কাম। ক'ব যে—এই মিঠাই টটকা নহয়, বেয়া বেয়া গোন্ধাইছে, শুধ ঘিঁউৰে ভজা নহয়—ইত্যাদি। এইবোৰ কথা কৈ, মিঠাই নিকিনাকৈয়েই সিহঁত গুচি আহিব। আৰু তেতিয়া—ভালেমানৰপৰা মিঠাই ভাল নহয়, বেয়া, বেয়া বেয়া গোন্ধাইছে আদি শুনি লাহিড়ীয়ে ইমান মানুহৰ কথা মিছা বুলি উৰাই দিব নোৱাৰিব, আৰু নিশ্চয় দাম কমাব। তেতিয়া আন কিছুমানক পঠিয়াই মিঠাই কিনি অনা হ'ব আৰু—"

পাটোৱাৰীৰ কথা নৌশেষ হওঁতেই শ্যামে কিছুখিনি মিঠাই লৈ আৰু আহিল, আৰু পাটোৱাৰীক কৈ থাকিল, "আপুনি ভবামতেই লাহিড়ীয়ে মিঠাইৰ দাম আধা কৰি দিলে। আজি তেওঁৰ দোকামত মিঠাইৰ দাম—চল্লিছ টকাকৈ।"

গিৰিয়েকৰ পাটোৱাৰী-বুধিলৈ চাই ভামিনীৰ চকুযুৰি কপালত উঠিল আৰু হতভম্বৰ দৰে হৈ একো মাত মাতিব নোৱৰা হৈ পৰিল।



সম্ৰাট অশোক

আগৰ কথা : মগধৰ ৰাজধানী পাটলিপুত্ৰত অপাৰ বুদ্ধিশালী ৰাজনীতিজ্ঞ চাণক্যৰ সহযোগেৰে চন্দ্ৰগুপ্তই মগধৰ সিংহাসন অধিকাৰ কৰিলে। চন্দ্ৰগুপ্তৰ মৃত্যুৰ অন্তত তেওঁৰ পুত্ৰ বিন্দুসাৰ ৰজা হ'ল আৰু ঘটনাচক্ৰত এক দৰিদ্ৰ ব্ৰাহ্মণকন্যা সুভদ্ৰাক বিবাহ কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। কিন্তু তাৰ পাছত দুবছৰকাললৈ তেওঁ সুভদ্ৰাৰ কথা পূৰ্ণভাৱে পাহৰি থাকিল। কিন্তু পুনৰ এক ঘটনাৰ চাকনৈয়াত পৰি মহাৰাজ বিন্দুসাৰে বিস্মৃত হোৱা সুভদ্ৰাৰ কথা সুঁৱৰিব পৰা হ'ল আৰু যিদিনা সুভদ্ৰাৰ সকলো কথা মনত পৰিল, সেই মুহূৰ্তত তেওঁ ঘোষণা কৰিলে যে সেইদিনাই সূৰ্য্যাস্ত নৌহওঁতেই সুভদ্ৰাক বিবাহ কৰাব। আৰু তাৰ পাছত...

মহাৰাজ বিন্দুসাৰৰ আজ্ঞা-মতে নগৰত তথা সমগ্ৰ মগধত ঘোষণা কৰা হ'ল যে দৰিদ্ৰ ব্ৰাহ্মণকন্যা সুভদ্ৰাক মহাৰাজে বিবাহ কৰাব। এই বিবাহ উপলক্ষ্যে নগৰ আলোকমালাৰে সুসজ্জিত কৰাৰ উপৰিও নগৰৰ বাটে-ঘাটে মংগলদ্বাৰৰূপী তোৰণ সজোৱা হ'ল, আৰু বিভিন্ন স্থান ফুলৰ সমাৰোহৰে সৌন্দৰ্য্যমণ্ডিত কৰা হ'ল।

এক দৈৱ-সংযোগৰ দৰেই, ঠিক সেইদিনাই—আগতে একো নজনা-নুশুনাকৈয়েই—সুভদ্ৰাৰ পিতাক সেই দৰিদ্ৰ ব্ৰাহ্মণেও ছোৱালী সুভদ্ৰাক চাবলৈ, সুভদ্ৰাৰ কি হ'ল—তাৰ খা-খবৰ ল'বলৈ ৰাজধানীলৈ আহি পাইছিলহি। তেওঁ যেতিয়া ৰাজপ্ৰাসাদৰ প্ৰবেশদ্বাৰ পালেহি, তেতিয়া পৰীয়াহঁতে, বিশেষকৈ যিজন প্ৰধান পৰীয়াক সুভদ্ৰাৰ পিতৃক তেওঁৰ গ্ৰাম্যগৃহৰপৰা সসন্মানে লৈ আহিবলৈ দায়িত্ব প্ৰদান কৰা হৈছিল, সেই প্ৰধান পৰীয়াই

'শহ-চৌৰৰ ডলা'

ব্ৰাহ্মণক চিনি পালে, আৰু তেওঁক অতি সন্মানেৰে সৈতে ৰাজপ্ৰাসাদৰ অন্তেষপুৰলৈ লৈ যাবলৈ ধৰিলে। আৰু—সুভদ্ৰা-পিতৃ সেই দৰিদ্ৰ ব্ৰাহ্মণ অন্তেষপুৰলৈ উপস্থিত হোৱাৰ লগে লগেই বিবাহৰ শুভ মুহূৰ্তও উপস্থিত হ'ল আৰু মহাৰাজ বিন্দুসাৰে তেওঁৰ বচন অনুসাৰে সূৰ্যাস্তৰ কেইনিমেষমান আগতে সাঁজ লাগি ভগাৰ লগে লগে সুভদ্ৰাক চতুৰ্থ মহাৰাণীৰূপে যথোচিত আচাৰ-অনুষ্ঠানৰ মাজেদি বিভা কৰা হ'ল। সুভদ্ৰাৰ পিতাদেৱে বৰ-বধূক আশীৰ্বাদ দিলে।

সুভদ্ৰা—দৰাচলতে যোৱা দুবছৰকাল ধৰি ৰাজপ্ৰসাদত তিনিও ৰাণীৰ লিগিৰীৰ দৰেই অতিবাহিত কৰিছিল। কিন্তু আজি সুভদ্ৰাৰ সেইদিন আৰু নাই। আজি দুখুনী সুভদ্ৰাজনীৰ জীৱনত বাজিল আনন্দৰ বীণ। দৰিদ্ৰ ব্ৰাহ্মণ-কন্যা সুভদ্ৰাৰ এতিয়া ৰাজকীয় সাজ-পাৰ, অপৰিমেয় আ-অলংকাৰ। সুভদ্ৰাজনী এতিয়া ব্যক্তিগত পৰিচৰ্য্যাৰ বাবে সততে সষ্টম হৈ থকা লিগিৰী-পৰিবৃতা ৰাণী। এতিয়া সুভদ্ৰাৰ মৰ্মৰ-প্ৰস্তৰেৰে সজোৱা বিৰাট কক্ষতে পৃথিবীৰ যাৱতীয় সুখ-সম্ভাৰ।

কিন্তু তথাপি—তথাপি—মনোভিলাষ পূৰ্ণ হোৱাৰ পাছতো সুভদ্ৰাৰ মন-প্ৰাণত কিয় আনন্দৰ জোৱাৰ নুঠা হ'ল ? কিয়নো—মহাৰাজৰ অন্যান্য ৰাণীসকলে সদা-সৰ্বক্ষণেই সুভদ্ৰাজনীক ঐদেহি-বৈদেহিকৈ নানান কথাৰে উজকাৰ দিছিল, উজটিত নিছিল, উখোৱা ধান-খোৱা কপালৰ হতচিৰী নটিনী বুলিও খোচা-বিন্ধা কৰিছিল। তাইক কৈছিলে : চামেই নহয়—কিমান দিনলৈ চকুমুদি আধাৰ খাব পাৰ—ছলছন্দেৰে ততই মৰতীজনীয়ে কিমান দিনলৈ মহাৰাজৰ বুকুত সোমাই থাকিব পাৰ—চামেই নহয় ?

এজনী বৃদ্ধা লিগিৰীয়ে সুভদ্ৰাক প্ৰথমৰেপৰাই ভাল পাইছিল, হিয়াপমা-মৰম কৰিছিল। সেই বৃদ্ধা লিগিৰীজনীয়ে এদিন বৰ মৰমেৰে সুভদ্ৰাক ক'লে, "সেই ৰাণী তিনিওজনীয়েই যে তোমাক চূণ-খাৰ কৰিছে—মই গম পাওঁ। কিন্তু তুমি সেইবোৰ উলাই কৰিবা। এই কথাষাৰ মনত ৰাখিবা—ইয়াত তেওঁলোকৰ দৰে তোমাৰ অধিকাৰো একেই।"

বৃদ্ধা লিগিৰীজনীৰ কথাত সুভদ্ৰাৰাণীয়ে মৃদুকৈ হাঁহিছিল মাথোন। কিন্তু সেই হাঁহিতো

ASS – F-3

আছিল বিৰহগধুৰ বিষাদৰ প্ৰকাশ।

এইদৰে এবৰছৰ উকলিল। আৰু এই এবছৰৰ অন্তত এদিন সুভদ্ৰাৰাণীয়ে এটি পুত্ৰ-সন্তানৰ জন্ম দিলে। পুত্ৰ-সন্তানটিৰ জন্মৰ পাছত সুভদ্ৰাৰাণীৰ মনৰ দুখ-বেজাৰ পাতলিল। তেওঁ কেঁচুৱাটিক কোলাত লৈ কৈ থাকিল, "বোপাটি, তুমি মোৰ কোলালৈ অহাত মোৰ সৰ্বশোক দূৰতে বিদূৰ হ'ল। তুমি—মোৰ শোক গুচোৱা অশোক।" এই বুলি কৈ কৈ অজস্ৰ চুমাৰে তেওঁ কেঁচুৱাটিক কোলাত লৈ আবেগত উদ্বাউল হৈ উঠিল। পাছত—এই পুত্ৰ-সন্তানটিৰ নামকৰণ কৰা হ'ল—অশোক।

অশোকৰ জন্মৰ আগতে আন তিনিও ৰাণীয়ে পাঁচটি পুত্ৰ-সন্তানৰ জন্ম দিছিল। এই পুত্ৰ-সন্তানহঁতৰ মাজত সৰাতোকৈ ডাঙৰ আছিল—সুশেম। সকলোটিয়েই—সৰুৰেপৰাই সুশেমক যুৱৰাজ ৰূপে গণ্য কৰিছিল আৰু ৰাজকৰ্মচাৰী সকলেও সুশেমৰ প্ৰতি যথাৰৎ আচৰণ কৰিছিল, ৰগ চিনি মাত-বোল কৰিছিল। তাৰ ফলত—চেমনীয়া হোৱাৰেপৰাই সুশেমৰ মাজত অহংকাৰে মূৰ দাঙি উঠিছিল, আৰু ফলত সুশেমও সদায় ৰঙা ঘোঁৰাত উঠি অহাবিধৰ — ৰজাকো দেও নোবোলাবিধৰ হৈ উঠিছিল।

সুশেম আছিল অশোকতকৈ তিনি বছৰৰ ডাঙৰ। এতিয়া সুশেম এজন চফল ডেকা। এদিন সুশেম আৰু অশোকেও ৰজাৰ উদ্যানবনত ফুৰি থাকোঁতে উদ্যানৰ বুঢ়া মালীয়ে অশোকলৈ নমস্কাৰ জনালে। হঠাৎ সুশেমে মালীক ঠেলা মাৰি বগৰাই পেলালে আৰু খঙত জুইহেন হৈ ক'লে, "তোমাৰ ইমানেই সাহস হ'লনে যে—মোক দেখ দেখকৈ অপমান কৰিছা?"

মাটিৰপৰা উঠি থিয় হৈ বুঢ়া মালীয়ে ক'লে, "মই কেনেকৈনো আপোনাক অপমান কৰিব পাৰোঁ—প্ৰভু?"

"তেনেহ'লে এই দাসীপুত্ৰক কিয় হাত যুৰি নমস্কাৰ কৰিছিলা?" সুশেমে গৰজি উঠি মালীক সুধিলে।

অশোকে সুশেমক ক'লে, "ককাইদেউ, তেনেকৈ ক'ব নাপায়। তোমাৰ মাতৃ—মোৰো মাতৃ, মোৰ মাতৃও তোমাৰো মাতৃসমা।"

"ছিঃ—!" সুশেমে নাক কোঁচাই ঘৃণাৰে ক'লে, "এনেবোৰ বেবেৰিবাং দুনাই নককিবা

কৈছোঁ। মোৰ মাতৃয়ে তোমাক পুত্ৰৰ সমান বুলি কদাপি ভাবিব নোৱাৰে।"

"আমি উভয়েই মহাৰাজ বিন্দুসাৰৰ পুত্ৰ। মোৰ মা-ক যদি অপমান কৰাঁ, সেই অপমান—মই নসহোঁ।" এই বুলি কৈয়েই অশোকে সুশেমৰ এখন হাত বজ্ৰচেপনে ধৰাদি ধৰিলে।

সুশেমে বহু চেষ্টাতো যেতিয়া অশোকৰ টান মুঠিৰপৰা হাতখন এৰাই আনিব নোৱাৰিলে, তেতিয়া অশোকলৈ বেয়া ধৰণে গালি পাৰি পাৰি চিঞৰিবলৈ ধৰিলে।

উদ্যানবনৰ মালীয়ে ঘটনাৰ কথা সেই উদ্যানবনৰ কাষেদি গৈ থকা মন্ত্ৰীক ক'লেগৈ।

মন্ত্ৰীৰ কথাত অশোকে সুশেমক এৰি দিলে। মন্ত্ৰীয়ে অশোকক সুধিলে, "ককাইদেউৰ সৈতে এনেহেন অশোভন ব্যৱহাৰ—উচিত কাৰ্য্যনে?"

"এওঁ ককাইদেউ এজনৰ দৰে ব্যৱহাৰ কৰাহেঁতেন ময়োবা কিয় এনেহেন অশোভন আচৰণ কৰিলোহেঁতেন? এওঁ মোৰ প্ৰতি শত্ৰুহেন আচৰণ কৰাতহে মই এওঁৰ হাত এখনত ধৰিছিলোঁ। এওঁ মোৰ মাতৃ আৰু পিতৃলৈকো অপমানকৰ মন্তব্য কৰিছে।"

পাছত—ক্ষুব্ধ মন্ত্ৰীগৰাকীৰপৰা এই ঘটনাৰ কথা জানি চাণক্যই সেই মন্ত্ৰীগৰাকীক ক'লে, "তাক যুৱৰাজ হিচাপে গণ্য কৰা তাক চটুৱাই জোল-খুউৱা চাটুৱাহঁতেই সুশেমক দৰ্পী-দম্ভী কৰি তুলিছে, আৰু সুশেমেও জীৱনৰ প্ৰকৃত বাট নেদেখা হৈ আওবটীয়া হৈছে। অশোক এতিয়ালৈকো চেমনীয়াটো হৈ আছে। এই পৰিস্থিতিত অশোকও যে কিমানখিনিলৈ ভাল হৈ থাকিব পাৰিব—কোৱা টান। সকলো কথায়েই পৰিস্থিতি-নিৰ্ভৰ।" চাণক্যই চিন্তিতভাৱে ক'লে।





"কথা—ঠিকেই কৈছে। কিন্তু মোৰ ধাৰণা, মহাৰাজেও সুশেমক সমৰ্থন কৰিব, কিয়নো তেওঁৰ সুশেমকেই যুৱৰাজ বুলি ভাবে।—মোৰ বিশ্বাস, এই দৰ্পী-দম্ভী অহমমতা আপোন-পেটা সুশেমে যদি আগলৈ বাস্তৱিকেই মগধৰ সিংহাসন অধিকাৰ কৰেই—মৌৰ্য-সাম্ৰাজ্য সংকটাপন্ন হ'বই।" মন্ত্ৰীগৰাকীয়ে মনৰ কথা কৈ দিলে।

আৰু ক'লে, "মহাৰাজ, আপোনাৰ পুত্ৰসৱৰ মাজত কোনোবা এজনক মৌৰ্য্য-সিংহাসনৰ উত্তৰাধিকাৰী ৰূপে ঘোষণা কৰাৰ সময় আসন্ন হৈছে। এই বিষয়ে আপোনাক সোঁৱৰাই দিয়াটো একান্ত কৰ্তব্য বুলি ভাবি আপোনাৰ ওচৰলৈ আহিলোঁ।"

মহাৰাজে চাণক্যক সুধিলে, "মোৰ জ্যেষ্ঠপুত্ৰ যুৱৰাজ সুশেম কি মৌৰ্য্য-সাম্ৰাজ্যৰ সিংহাসনত অধিষ্ঠিত হোৱাৰ যোগ্য নহয়?"

"জ্যেষ্ঠপুত্ৰ—প্ৰশ্নবিহীনভাৱেই সিংহাসনৰ ন্যায্য উত্তৰাধিকাৰী। কিন্তু—সৰ্ব অৱস্থাতে এই উত্তৰাধিকাৰ বাঞ্ছনীয় নহ'বও পাৰে। প্ৰকৃতপক্ষে—দক্ষতা থকাইহে ৰাজ্যৰক্ষা কাৰিব পাৰে। এতেকে—যিজন বাস্তৱিক সুদক্ষ, তাৰেই ৰাজ্যাভিষেক বাঞ্ছনীয়।" চাণকাই তেওঁৰ সুচিন্তিত মতামত প্ৰকাশ কৰিলে আৰু পুনৰ ক'লে, "এই কথা সঠিক সময়ত আপোনাক সোঁৱৰাই দিয়াটো কৰ্তব্য বুলি ভাবি ক'লোঁ, মহাৰাজ।"

চাণক্যয়েই পুনৰ কৈ উঠিল, "মহাৰাজ, এই কথাত খৰখেদা কৰিবলগীয়া বিশেষ নাই। আৰু—আপুনি কোনজনক সিংহাসনৰ উত্তৰাধিকাৰী ৰূপে ল'ব—কাক মগধ-সাম্ৰাজ্যৰ সিংহাসনত অধিষ্ঠিত কৰিব—সেই কথা ৰাজকোঁৱৰসৱে গম নোপোৱাই ভাল। ৰাজকোঁৱৰসৱৰ গতি-বিধিলৈ আমি মন কৰা হৈছোঁ বুলিও ৰাজকোঁৱৰসৱে জানিব নালাগে। আৰু—যিহেতু জ্যেষ্ঠ, সিহেতুকে সিংহাসনৰ অধিকাৰী—সুশেমক এই কথাৰ আভাসমাত্ৰো নিদিয়া ভাল হ'ব। আটাইতকৈ ভাল হ'ব—স্বয়ং আপুনি যদি ৰাজকোঁৱৰসৱৰ বুদ্ধিমত্তাৰ পৰীক্ষা লয়, অৰু তাৰ ভিত্তিত ভৱিষ্যতৰ কৰ্তব্য যদি নিৰ্দ্ধাৰণ কৰে।"

বিন্দুসাৰে অলপো নভবাকৈ তৎক্ষণাৎ ক'লে, "আপুনি যেনেকৈ ক'ব, মই তেনেকৈয়েই কৰিম। এই পৰীক্ষালোৱাত মোৰ আপত্তি নাই।"

"মই এই বিষয়তো কাৰ্য্যক্ৰম স্থিৰ কৰিছোঁ কালিলৈ সূৰ্যোদয়ৰ আগতে আপোনাৰ ছয়োজন পুত্ৰক আমাৰ নগৰৰ উত্তৰ দিশস্থ সীম-মূৰিয়লীত থকা শিৱদ'ললৈ আহিবলৈ কওক। পুত্ৰসৱে নিজ-নিজ মনে-খোৱা উত্তম বাহনত উঠি আহিব লাগিব, আৰু অহাৰ আগতে বলবৰ্দ্ধক আহাৰ খাই আহিব লাগিব আৰু শিৱালয়লৈ আহি উত্তম আসনত উপবেশন কৰিব লাগিব।" এই বুলি কোৱাৰ অন্তত চাণক্য তাৰপৰা গ'লগৈ। মহাৰাজ বিন্দুসাৰে চাণক্যই কোৱা মতেই পুত্ৰসৱলৈ আজ্ঞা প্ৰদান কৰিলে, আৰু পাছদিনা বেলি ওলোৱাৰ আগে আগেই মহাৰাজ বিন্দুসাৰ, চাণক্য, মন্ত্ৰীবৰ্গ, উচ্চখাপৰ অন্যান্য ৰাজকৰ্মচাৰী প্ৰমুখ সেই শিৱালয়লৈ আহিল, আৰু বেলিয়ে ভূমুকিউৱাৰ লগে লগেই একে একে আহি থাকিল পুত্ৰসৰ।

যুৱৰাজ সুশেম আহিল সৰ্বপ্ৰথমে। সুশেম আহিল দুটা তেজী-বেগী অশ্ব-সমন্বিত সুদৃশ্য ৰথেৰে। দ্বিতীয়জন ৰাজকোঁৱৰ আহিল হস্তীৰ পিঠিত উঠি। তৃতীয় ৰজাৰ কোঁৱৰ অতি সুন্দৰ-সুদৃঢ় অশ্বৰ পিঠিত উঠি আহিল। চতুৰ্থ আৰু পঞ্চম ৰাজকোঁৱৰ আহিল দোলাত উঠি।

আৰু সদৌ শেহত অশোকও আহিল। কিন্তু বিস্ময়ৰ কথা ৰজাৰ কোঁৱৰ হৈও অশোক আহিল খোজ কাঢ়ি! খোজ কাঢ়ি আহিল— কিন্তু যথাসময়েই আহি পোৱা হ'ল।

শিৱালয়ৰ মণ্ডপত থকা বিভিন্ন আসনৰপৰা ৰাজকোঁৱৰসৱে উপবেশন কৰিবলৈ আসন ল'লে। দুজন কোঁৱৰে অৱশ্যে

নিজ-নিজ আসন লগত লৈয়েই আহিছিল— হস্তীদন্তৰে বনকৰা অতি সুন্দৰ অতি সুদৃশ্য আসন। এই দুজন কোঁৱৰ হস্তীদন্তকাৰুকাৰ্য্য-শোভিত আসনত ৰজাৰ কোঁৱৰৰ গাম্ভীৰ্য্যৰে বহিল। আন দুজন ৰজাৰ কোঁৱৰে শিৱালয়ত থকা অতি কোমল কপাহী আসনত উপবেশিত হ'ল। পঞ্চম ৰাজকোঁৱৰে উপবেশন কৰিলে ব্যাঘ্ৰচৰ্মৰ ওপৰত।

কিন্তু — অশোকে ভূমিৰ ওপৰতে উপবেশন কৰিলে।

দাসী-পুত্ৰ অশোকৰ আও-ভাওলৈ চাই অন্য ৰাজকোঁৱৰসৱে হাঁহি থাকিল।

চাণক্যই ৰাজকোঁৱৰসৱক সম্বোধি ক'লে, "তোমালোকৰ বাহন আৰু আসন আমি দেখিলোঁ। এতিয়া ইয়ালৈ অহাৰ আগতে

কোনে কি আহাৰ কৰি আহিলা—কোৱাঁ।”

ৰাজকোঁৱৰসকলে অতি মূল্যৱান ৰাজকীয় আহাৰৰ বিবৰণ সবিস্তাৰে দিলে আৰু আহাৰ্য্যৰ বা-বিবৰণ দিওঁতেও ৰাজকোঁৱৰসৱৰ মাজত নিজ-নিজ কথা কোৱাৰ ধা-ধৰণ আৰু মনৰ মাজত থকা প্ৰকৃত আচৰণ আদিৰ আভাস প্ৰকাশিলে। অশোক তেতিয়ালৈকো মনে মনে আছিল।

চাণক্যই আশোকক সুধিলে, “অশোক, তুমি ৰাজকোঁৱৰ, সৰ্বপ্ৰকাৰৰ বাহন থকা সত্ত্বেও সেইবোৰ বাহনৰ উপযোগ কিয় নকৰিলা ? কিয় খোজ কাঢ়ি আহিলা ?

“পিতাশ্ৰীৰে সৰ্বোত্তম বাহনত উঠি ইয়ালৈ আহিবলৈ আজ্ঞা দিয়াত মই আপোন পদদ্বয়কে সৰ্বোত্তম বাহন বুলি ভাবি বাট বুলি বুলি আহিছিলোঁ। মোৰ দৃষ্টিত—নিজৰ পদদ্বয়তকৈ উত্তম বাহন আৰু নাই।”

“এতিয়া কোৱাঁ, তুমি ইয়ালৈ অহাৰ আগতে কি কি আহাৰ কৰি আহিছিলা।”

“এপিয়লা দৈ।” অশোকে উত্তৰ দিলে।

“ভালৰো ভাল বলবৰ্দ্ধক ৰাজকীয় আহাৰ খাই আহিবলৈ কোৱা সত্ত্বেও নোখোৱাকৈ মাত্ৰ এপিয়লা দৈ খাই আহিলা কিয় ?” চাণক্যই বিস্ময় মানি সুধিলে।

“মই পুত্ৰ, মাতৃয়েহে জানিব—কেতিয়া কি বলবৰ্দ্ধক আহাৰ পুত্ৰক দিব লাগিব। মাতৃয়ে যি-আহাৰ দিলে, মই তুষ্ট মনেৰে সেই আহাৰ্য্য খালোঁ।” অশোকে ক’লে।

উত্তৰ শুনি বিস্মিত চাণক্যই পুনৰ অশোকক সুধিলে, “আৰু—আৰু তুমি ভূমিৰ ওপৰত উপবেশন কৰিলা কিয় ?”

“হে মহাত্মা, আমাক উত্তম আসনত উপবেশন কৰিবলৈ কোৱা হৈছিল। ভূমিতকৈ উত্তম আসন জগতত আছে বুলি মই ভবা নাছিলোঁ বুলিহে ভূমিৰ ওপৰত উপবেশন কৰিলোঁ।” অশোকে ক’লে।

“অদ্ভুত সমিধান !”

মহাৰাজৰ পিছফালে থিয়হৈ থকা মন্ত্ৰীবৰ্গই আৰু উচ্চপদস্থ ৰাজকৰ্মচাৰীবৰ্গয়ো প্ৰায় সমস্বৰে কৈ উঠিল।

চাণক্যই মৃদুকৈ হাঁহিৰে অশোকক ক’লে, “মোৰ অভিনন্দন লোৱাঁ, বৎস !”

অশোকৰ এহেন অপাৰ বুদ্ধিমত্তাই মহাৰাজকো আপ্লুত কৰিলে। [আগলৈ

অপৰা-শক্তি

ব্যৰ্থতাই অপাৰ-অপৰিমেয় ধৈৰ্য্যশীল ৰজা বিক্ৰমাদিত্যক তেওঁৰ সংকল্পৰপৰা বিচ্যুত কৰিব নোৱাৰিলে। বৃক্ষশাখাত ওলমি থকা সেই মৃতদেহটো পুনৰ কান্ধত কঢ়িয়াই লৈ প্ৰেতভূমি মৰিশালিলৈ বুলি নিককপীয়া অন্ধাৰৰ মাজেদি যাবলৈ ধৰিলে। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, যুগ যুগ ধৰি তোমাৰ কাৰ্য্য-কলাপ প্ৰত্যক্ষ কৰা সত্ত্বেও তোমাৰ প্ৰকৃত উদ্দেশ্য অজ্ঞাত। যুগ যুগ ধৰি এনেহেন কঠোৰৰো কঠোৰ ধৈৰ্য্য-সহ্যৰ ফলস্বৰূপে তুমি যে কি শক্তিলভিবা মই জ্ঞাত নহওঁ। কিন্তু এই কথা মোৰ অজ্ঞাত নহয় যে অপৰিমেয় শক্তিমত্তাৰ অধিকাৰীয়ে যেতিয়া প্ৰভাৱিত ফল লাভ কৰেসেই অভাৱিত-অপাৰ্থিৱ ফললাভেৰে বিশেষ একো সুফল নদৰ্শাবও পাৰেআৰু শক্তিমন্ততাৰ সেই আনন্দও ক্ষণস্থায়ীও হ'ব পাৰে। মোৰ কথাৰ সত্যতা দাঙি ধৰিবলৈ আজি মই তোমাক এগৰাকী কুৰূপা ৰাজকুঁৱৰীৰ কাহিনী ক'ম, যিজনী ৰাজকুঁৱৰী অলৌকিক অপৰা শক্তিক অন্যায় শক্তি বুলি জানি সেই শক্তিক হেলাৰঙে পৰিহাৰ কৰিছিল।" এই বুলি কৈ, বেতালে সেই কুৰূপ ৰাজকুঁৱৰীৰ বিৰূপ কাহিনী ক'বলৈ ধৰিলে :

বেতাল-কথা

তাহানিৰ ৰত্নপুৰীৰ ৰজাৰ একমাত্ৰ পুত্ৰী মণিমঞ্জৰীৰ মাজত অনেক গুণ আছিল, কিন্তু দেখাত আছিল অতি কুৰূপা। ৰাণী বসুধাদেৱী ৰূপৱতী হোৱা সত্বেও যে কেনেকৈ মণিমঞ্জৰী ইমান কুৰূপা হ'ল—ৰজা নৰোত্তমদেৱে ভাবি উলিয়াব পৰা নাছিল। এই কথাত ৰাজ-দম্পতিৰ মনত দুখ। পিছে দুখৰ মাজতো সুখৰ কথা যে—মণিমঞ্জৰীৰ কণ্ঠস্বৰ আছিল সংগীতৰ দৰে সুমধুৰ, আৰু কি বিদ্যাত কি বুদ্ধিত, বিশেষকৈ বীণা-বাদনত ৰাজকুঁৱৰী মণিমঞ্জৰী আছিল অদ্বিতীয়া। ৰাজকুঁৱৰী মণিমঞ্জৰীৰ বীণ-বাদন শুনোতাই সাময়িকভাৱে হ'লেও স্বৰ্গলোকত থকা যেন পাইছিল।

কিন্তু তথাপি—চাওঁতে-চাওঁতে ৰাজকুঁৱৰী মণিমঞ্জৰীয়ে যেতিয়া কন্যাকাল পালে, তেতিয়া এই কথা ভাবি ৰাজ-দম্পতি বৰ চিন্তিত হৈ উঠিল যে—ইমান কুৰূপাজনীক—হওকেই ৰাজকুঁৱৰী—তথাপি কোনোবা ৰাজকোঁৱৰে বিবাহ কৰাবনে ?

এদিন—পূৰ্ণিমাৰ জোনাক ৰাতিৰ পৰতে ৰাজকুঁৱৰী মণিমঞ্জৰীয়ে উদ্যানবনত বহি তন্ময় হৈ বীণা বাদনত মগ্ন হৈ থাকোঁতে ঠিক সেই সময়ত বেদচন্দনা নামৰ গন্ধৰ্বকন্যাই আকাশপথেদি গন্ধৰ্বলোকলৈ গৈ আছিল। মণিমঞ্জৰীৰ অশ্ৰুতপূৰ্ব স্বৰ্গীয় মাধুৰ্য্যভৰা বীণাবাদন শুনি গন্ধৰ্বকন্যা বেদচন্দনা আকাশৰপৰা উদ্যানবনলৈ নামি আহিল আৰু চকু মুদি তন্ময়তাৰে বীণা-বাদনৰতা মণিমঞ্জৰীৰ কাষত থিয় হৈ সেই অশ্ৰুতপূৰ্ব-অপূৰ্ব বীণ-বাদন শুনি থাকিল। তাৰ পাছতবীণ-বাদন যেতিয়া বন্ধ হ'ল, তেতিয়া বেদচন্দনাই কৈ উঠিল, "আহা ! ইমান মধুৰ সংগীত গন্ধৰ্বলোকতো শুনা নাযায়। এই বীণ-বাদন অতুলন !"

অকস্মাৎ সমুখত দণ্ডায়মানা অতুল-সৌন্দৰ্য্যৰ অদ্ভুত যুৱতী এজনীক দেখা পাই ৰাজকুঁৱৰী মণিমঞ্জৰী অবাক-হতবাক হৈ পৰিল।

গন্ধৰ্বকন্যা বেদচন্দনাই মণিমঞ্জৰীৰ মনৰ কথা স্বাভাৱিক গান্ধৰ্বীয় সহজাত ক্ষমতাৰে জানিব পাৰিলে আৰু মণিমঞ্জৰীক ক'লে, "ৰাজকুঁৱৰী, এই যে মোৰ আঙুলিত থকা আঙঠিটো দেখিছা, এই আঙঠিটো মহিমা থকা আঙঠি। এই আঙঠি যিজনীয়ে পিন্ধিব, আনৰ

দৃষ্টিত সেইজনী হৈ উঠিব অতুল-সৌন্দৰ্য্যৱতী অপৰূপা । এতেকে আগলৈ তুমি তোমাৰ কুৰূপৰ কাৰণে চিন্তা কৰাৰ আৱশ্যক নহ'ব । কিন্তুএটা বিশেষ কথা । মহিমাময় আঙঠিটো পিন্ধি কদাপি কোনো দেৱ-দেৱীৰ মন্দিৰলৈ নাযাবা। যদি যোৱা—এই আঙঠিৰ মহিমা লুপ্ত হৈ যাব ।" এই বুলি কৈ, মহিমা-থকা আঙঠিটো ৰাজকুঁৱৰী মণিমঞ্জৰীৰক প্ৰদানি গন্ধৰ্বকন্যা বেদচন্দনা পুনৰ আকাশলৈ উৰিল।

আৰু ঠিক তেতিয়াই ৰাজকুঁৱৰীক বিচাৰি ৰজা আৰু ৰাণী উদ্যানবনলৈ আহিল । তেওঁলোকে এজোপা বৃক্ষৰ তলত এক অপূৰ্ব সুন্দৰী স্বৰ্ণপ্ৰতিমাহেন যুৱতীক দেখা পাই হতবাক হৈ পাৰিল।

ৰজাই নিজক চম্ভালি লৈ ধীৰ-সংযত কণ্ঠেৰে সুধিলে, "আই, তুমিনো কোন ? আমাৰ মণিমঞ্জৰীজনী ইয়াৰপৰা ক'লৈনো গ'ল ? তাইৰ বীণা আছে, অথচ — তাইক কিয় ইয়াত দেখা নাই—?"

ইমানপৰে মৌন হৈ থকা মণিমঞ্জৰীয়ে কৈ উঠিল, "পিতাশ্ৰী, ময়েই মণিমঞ্জৰী।"

ৰাজ-দম্পতিয়ে সেই স্বৰ্ণপ্ৰতিমাত পুত্ৰীৰ চিনাকি কণ্ঠস্বৰ শুনি তৰধেই মানিলে, কিন্তু ঘটনাৰ তাৎপৰ্য্য ঠাৱৰ কৰিব নোৱাৰিলে।

তেতিয়া সেই বিভ্ৰান্ত হৈ পৰা মাতৃ-পিতৃক মণিমঞ্জৰীয়ে গন্ধৰ্বকন্যা বেদচন্দনাৰ কথা, মহিমাময় আঙঠি আৰু আঙঠিৰ বিস্ময়কৰ কাৰ্য্যকাৰিতাৰ কথা ভাঙি-পাতি ক'লে।

কৌতূহল এৰাব নোৱাৰি ৰজা নৰোত্তমদেৱে আঙঠিৰ কাৰ্য্যকাৰিতাৰ বাস্তৱ প্ৰমাণ ল'বলৈ ৰাণী বসুধাৰ আঙুলিত আঙঠিটো পিন্ধাই দিলে আৰু মানৱী বসুধা তৎমুহূৰ্ততেই স্বৰ্ণপ্ৰতিমাহেন অতুলন সৌন্দৰ্য্যৱতী গন্ধৰ্বকন্যালৈ ৰূপান্তৰিতা হৈ পৰিল। এই অভাৱিত দৃশ্যলৈ চাই ৰাজকুঁৱৰী আৰু ৰজায়ো হাঁহিবলৈ ধৰিলে।

আৰু মহিমাময় আঙঠিটোৰ কথা ভাবি ৰাজ-দম্পতিয়ে ভাবি থাকিলঃ এই আঙঠিৰ যহতে মণিমঞ্জৰীক কোনোবা ৰাজকোঁৱৰৰ সৈতে যোৰা পাতি দিয়াত আৰু কোনো বাধা নাথাকিল । মহাৰাণীয়ে আঙঠিটো পুনৰ মণিমঞ্জৰীৰ আঙুলিতে পিন্ধাই দিলে।

পাছদিনা, গন্ধৰ্বকন্যা বেদচন্দনাৰ ৰূপত থিয় হৈ থকা অচিনালিক গাভৰু এজনীক দেখি মণিমঞ্জৰীৰ সখিয়েকহঁতে পৰস্পৰৰ মাজত

সখিয়েকহঁতক সম্বোধি ক'লে, মল্লিকা— বসন্তা—মৌ—কিনো আলচিছা থিয়ৈ থিয়ৈ ? এইফালে আহাঁচোন—আহাঁ।"

ৰাজকুঁৱৰী মণিমঞ্জৰীৰ মাত শুনি সিহঁতকেইজনীয়ে বৰ আচৰিতেই মানিলে, আৰু সিহঁতে ৰাজকুঁৱৰীৰ ওচৰত ক্ষমা খুজি একেলগে আঁঠু ল'লে।

ইতিমধ্যেই—ৰাজকুঁৱৰী মণিমঞ্জৰীৰ জন্ম-দিনৰ উছৱৰ আয়োজন কৰা হ'ল আৰু নৃত্য-সংগীত আদি অন্যান্য আমোদ-প্ৰমোদৰ লগত এইবাৰ এজন অচিন-অজান জাদুকৰকো জাদুবিদ্যা-প্ৰদৰ্শনৰ বাবে লৈ অহা হ'ল।

জাদুকৰজনৰ সৈতে তেওঁৰ ছোৱালীজনীও আহিছিল। দুয়ো মিলি জাদু-খেল দেখুৱাই থাকিল। জাদুকৰে আমৰ শুকান আঠি এটা এখন ডাঙৰ পাচিৰে ঢাকি থৈ হাতত জন্তুৰ (বা মানুহৰো হ'ব পাৰে) হাড় এডাল লৈ সেই পাচিৰে ঢকা আমৰ আঠিটোৰ চাৰিওফালে ঘূৰি ঘূৰি মন্ত্ৰ মাতিবলৈ ধৰিলে।

অলপ পাছত জাদুকৰে পাচিখন দাঙি দিয়াত তাত আমৰ শুকান আঠিৰ ঠাইত এজোপা আমগছ দেখা গ'ল। তাৰ পাছত— জাদুকৰে অন্য বিধোবিধ জাদু প্ৰদৰ্শন কৰিলে আৰু সদৌশেহত তাৰ ছোৱালীজনীলৈ আঙুলিয়াই মহাৰাজক ক'লে, "মহাৰাজ, এই ছোৱালীজনী মোৰ একমাত্ৰ সন্তান। মই মোৰ আইজনীক নাগকন্যাহেন ধুনীয়া যেন দেখোঁ, কিন্তু তথাপি এইজনীৰ যোৰা পাতি দিব নোৱৰা হৈছোঁ, কিয়নো—মোৰ এই আইজনীক চাবলৈ অহাহঁতে অগঢ়ী, ফেঁচামুখী, হাতী-

ফুচফাচ কৰি থাকিল : দেখাত দেৱীহেন এই যুৱতী বোধকৰোঁ—আমাৰ মহাৰাজৰ কোনোবাজনী কুটুম্বী হ'ব। সঁচা—ছোৱালী-জনম এনেকুৱাহে হ'ব লাগে—যাতে মতাহঁতে দেখিলেই দিহ-মোহ যায়।

আন এজনীয়ে ক'লে : ঠিক কথা, লাখ কথাৰ এক কথা কৈছ। নহ'লে—সেই তিৰীৰ মেল কলৰ ভেলত কি লাভ ?

: সঁচা, আমাৰ ৰাজকুঁৱৰী মণিমঞ্জৰী এনেকুৱা হোৱাহেঁতেন মহাৰাজ-মহাৰাণীয়ে সদা-সৰ্বেক্ষণ ইমান বেজাৰমুৱা-বেজাৰমুখী হৈ কটাবলগীয়া নহ'লহেঁতেন। কিন্তু কপালো যে! কথাতে বোলে—তুমি যাবা নেপাল— লগত যাব কপাল।

বেদচন্দনাৰূপী মণিমঞ্জৰীয়ে তেওঁৰ

চকুৱা বুলি কয়। এতিয়া চাওক, হে মহাৰাজ, আৰু মান্যমান দৰ্শকসকল, মই সামান্যমান মন্ত্ৰ মাতি এই কুৰূপাজনকী কেনেকৈ সুৰূপা-সৌন্দৰ্য্যমণ্ডিতা কৰিম—।" এই বুলি কৈ, মন্ত্ৰ মাতি, জাদুকৰে তাৰ সোঁহাতখন ছোৱালীজনীৰ মূৰত ছোৱালে, আৰু নিমিষতে জাদুকৰৰ সেই কুৰূপা ছোৱালীজনীয়ে এক অপূৰ্ব অনিন্দ্যসুন্দৰ ৰূপময়ীৰ ৰূপ ল'লে।

এনেহেন অদ্ভুত-আচৰিত ঘটনাত সকলোটি—আনকি মহাৰাজো কিয়ৎক্ষণৰ বাবে হতভম্ব হৈ পৰিল, আৰু পাছত সম্বিৎ ঘূৰাই পাই প্ৰবল হাত-চাপৰিৰে ৰাজসভা মুখৰিত কৰি থাকিল।

জাদুকৰে মূৰ দোঁৱাই দৰ্শক-ৰাইজক আৰু মহাৰাজ-মহাৰাণীকো প্ৰণাম জনালে আৰু তাৰ পাছত নম্ৰতাৰে ক'লে, "মহাৰাজ আৰু অন্য অন্য মান্যমান দৰ্শকসকললৈ মই নিঃকিনে নিবেদোঁ, এতিয়ালৈকে যি দেখুৱালোঁ যি দেখিলে—তাত এধানমানো সঁচা নাই, সকলোখিনিয়েই বিভ্ৰম-উৎপাদক ইন্দ্ৰজাল মাথোন।"

মহাৰাজে জাদুকৰক প্ৰশংসা কৰাৰ উপৰিও এহেজাৰ ৰূপ পুৰস্কাৰ প্ৰদান কৰিলে।

আৰু তাত বহি থকা ৰাজকুঁৱৰী মণিমঞ্জৰীৰ অন্তৰত তেতিয় এক আন্দোল-দোল লাগিল, আৰু তেওঁ জাদুকৰৰ ওচৰলৈ সেই মহিমাময় আঙঠিটো জাদুকৰক দিলে, আৰু ক'লে, "তোমাৰ অপূৰ্ব জাদু-প্ৰদৰ্শনৰ বাবে এই আঙঠি তোমালৈ মোৰ জন্মদিনৰ উপহাৰ। এই মহিমা থকা আঙঠিত তোমাৰ জাদুতকৈও শক্তিশালী গান্ধৰ্বমায়া নিহিত আছে।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্ ! ইমান মহিমাপূৰ্ণ আঙঠিটো মণিমঞ্জৰী ৰাজকুঁৱৰীয়ে কিয় তেনেকৈ পৰিত্যাগ কৰিছিল ? এই কাৰ্য্যক—ৰাজকুঁৱৰীৰ মূৰুখালি বুলি ক'ব



নোৱাৰিনে ? জাদুৰ প্ৰদৰ্শনকালত হঠাৎ ৰাজকুঁৱৰীৰ মতি-ভ্ৰম হৈছিল কিয় ? মোৰ এইবোৰ প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব — এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "গন্ধৰ্বকন্যাই ৰাজকুঁৱৰী মণিমঞ্জৰীক যিটো আঙঠি—মহিমাৱান আঙঠি প্ৰদান কৰিছিল, সেই আঙঠিটোৰ ক্ষমতা আছিল সীমাবদ্ধ। ৰাজকুঁৱৰী মণিমঞ্জৰীয়ে আঙঠিটোৰ আলৌকিক ক্ষমতাৰ বিষয় অতি দ'কৈ ভাবি চাইছিল আৰু এই সিদ্ধান্তলৈ উপস্থিত হৈছিল যে—আঙঠিটোৰ মহিমাৰ যহতে তেওঁৰ যি মনোমুগ্ধকৰ ৰূপ দেখা পাইছিল—সেই ৰূপ তেওঁৰ প্ৰকৃত ৰূপ নাছিল, সেই ৰূপ প্ৰকৃততে গন্ধৰ্বকন্যা বেদচন্দনাৰেই ৰূপ। দেখাত কুৰূপ হ'লেও মানুহ মুনিহ মাত্ৰৰেই আত্মাভিমান থাকে, থাকে আত্মবোধ। আৰু—এই মহিমাৱান আঙঠিৰ কাৰণে ভক্তিমতী ৰাজকুঁৱৰীয়ে ঈশ্বৰ-দৰ্শন, দেৱ-দেৱীলৈ আৰাধন—সকলো বিসৰ্জিবলগীয়াত পৰিছিল। আৰু—এই আঙঠিৰ মহিমাৰে তেওঁ কুৰূপাই সুৰূপালৈ ৰূপান্তৰিত হৈ যদিও কোনোবা ৰাজকোঁৱৰক পতিৰূপে পালেহেঁতেন, সেয়া যে এক বিৰাট প্ৰতাৰণা হ'লহেঁতেন সেই কথাই ৰাজকুঁৱৰী মণিমঞ্জৰীৰ সৎ হৃদয়খনক খুলি খুলি খাইছিল। অথচ এই আঙঠিৰ মহিমাৰে ৰূপৱতী কৰি কোনোবা ৰাজকোঁৱৰৰ হাতত তেওঁক প্ৰদানিবলৈ তেওঁৰ পিতৃ-মাতৃ মহাৰাজ-মহাৰাণী যে সাজু হৈছিল—প্ৰতাৰণাৰ পাপৰ কথা ভুলে-পাহৰণেও সোঁৱৰা নাছিল—সেই সাৰ্বিক প্ৰতাৰণাৰ বেহুৰপৰা ওলাই নকল ৰূপৰ ফান্দৰপৰা ওলাই সহজ-স্বচ্ছন্দ জীৱন যাপিবলৈহে ৰাজকুঁৱৰী মণিমঞ্জৰীয়ে গান্ধৰ্বী-মহিমা থকা আঙঠিটো জাদুকৰক প্ৰদান কৰিছিল আৰু বিমুক্ত জীৱনৰ সেন্দুৰীয়া আলিলৈ খোজ লৈছিল। ৰাজকুঁৱৰী মণিমঞ্জৰীৰ এই সৎকাৰ্য্যক একোপধ্যেই মূৰ্খালি বুলি ক'ব নোৱাৰি, তেওঁৰ এই কাৰ্য্য আছিল অন্যায় অপৰা-শক্তিৰ বিৰুদ্ধে ন্যায়ৰ প্ৰকাশ।

বিক্ৰমাদিত্যৰ এই উত্তৰ শুনি বেতালে তাত আৰু বৈ নাথাকি মৃতদেহটো লৈ পুনৰ সেই গছজোপালৈ বুলি গুচি গ'ল। [কল্পিত



সাঁচন কাছন আৰু বাঁচন

হাবি-কাষৰীয়া টোকোৰাপঁজা এটাত এগৰাকী বুঢ়ী আৰু বুঢ়ীৰ আলাসৰ লাৰু এলাহৰ পাচিহেন ল'ৰা এটা বাস কৰিছিল। বুঢ়ীয়ে হাবিৰপৰা নানান ডাল-পাত শুকান খৰি গোটাই পিটাই। কঢ়িয়াই আনি চুবুৰীয়াৰ ওচৰত বেচি কথমপি পেটৰ ভাতৰ যা-যোগাৰ কৰিছিল।

কিন্তু বুঢ়ীৰ আলাসৰ লাৰু ল'ৰাটোৱে হাবিলৈ যোৱা বাদেই—ঘৰুৱা কাম-বনতো বুঢ়ী মাকক কণমানো সহায় নকৰিছিল—টলৌ টলৌকৈ অনাই-বনাই ঘূৰি ফুৰিছিল। বুঢ়ীয়ে তাৰ গতি-গোত্ৰলৈ চাই—সি কেতিয়াবা দহটকীয়া হোৱাৰ আশা এৰি দিছিল আৰু তাৰ ভাল-বেয়ালৈকো আৰু মন-কাণ নিদিছিল।

আৰু এদিন সি তাৰ বুঢ়ী মাকক একো নোকোৱাকৈ, ঘৰ এৰি গুচি গৈছিল।

দিন-মাহ-বছৰবোৰ বাগৰাৰ লগে লগে বুঢ়ীও এদিন বন-বাৰি কৰিব নোৱৰা হৈ পৰিল, আৰু এদিন হাবিৰপৰা শুকান খৰিকাঠৰ বোজা এটা কঢ়িয়াই আনোতে বাটৰ ওপৰত মূৰ আচন্দ্ৰাই সৰিয়হ ফুল ফুলা দেখি বাগৰ খাই পৰিল।

ঠিক তেতিয়াই—সেই বাটেদি গৈ থকা ডেকা মানুহ এজন দৌৰি আহিল, আৰু বাট-কাষৰীয়া পুখুৰী এটাৰপৰা পানী আনি বুঢ়ীৰ মূৰত চকু-মুখত ছটিয়াই থাকিল।

অলপ পাছত চেতনা ঘূৰাই পাই বুঢ়ী মানুহজনী উঠি বহিল আৰু ডেকাজনক সুধি থাকিল, "বোপাঐ—অ' বোপাটি মোৰ, তুমিনো কোন ?"

"আইতা, মই এটা মাউৰা দুৰ্ভগীয়া। মোৰ কোনো ক'তো নাই। নিচেই সৰুতে মাতৃ-পিতৃ ঢুকাল। কেতিয়া যে মোক ঈশ্বৰে মোৰ বুলিব, ভাবি পোৱা নাই। ক'ৰবাত আশ্ৰয় পোৱাহেঁতেন মই নিঃচিন্ত হৈ কাম-বনত ধৰিব পাৰিলোহেঁতেন।" ডেকাজনে কলে।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

বুঢ়ী মানুহজনী উঠি থিয় হ'ল আৰু খৰিকাঠৰ বোজাটো পুনৰ দাঙি মূৰত ল'বলৈ চেষ্টা দিয়া হ'ল। কিন্তু ডেকাজনে খৰিকাঠৰ বোজাটো নিজৰ মূৰত ল'লে আৰু বুঢ়ীক ক'লে, "ব'লা আইতা, তোমাক তোমাৰ ঘৰত থৈ আহোঁগৈ, ব'লা।"

সেই দিনাৰপৰা ডেকাজন বুঢ়ীৰ লগতে থকা হ'ল আন ক'লৈকো নগ'ল। ডেকাজনে বুঢ়ীৰ যতমানে বাহিৰা কাম—হাটলৈ যোৱা, হাবিৰপৰা খৰিকাঠ গোটাই কঢ়িয়াই অনা আদি—সকলো কৰাৰ উপৰিও বুঢ়ীৰ সামান্য আধা হালিচামান মাটিত খেতি-বাতিও যি পাৰে যিখিনি পাৰে কৰে, আনকি ৰান্ধন-বাঢ়নতো বুঢ়ীৰ কষ্ট লাঘৱ কৰা হ'ল আৰু জীৱনকালত এয়ে প্ৰথম বাৰৰ বাবে বুঢ়ীয়ে 'সাঁচন' কাক বোলে জনা হ'ল।

কিন্তু এদিন হঠাৎ বুঢ়ীৰ ল'ৰাটো ক'ৰবাৰ কোন ধুবুৰীৰাপৰা ধুমুহা অহাদি আহিল, আৰু আহিয়েই পইচা-পাতি খুজি চিঞৰি থাকিল। কিন্তু বুঢ়ীয়ে তাক এটা ফুটা কড়িও নিদিয়া হ'ল।

তেতিয়া বুঢ়ীৰ ল'ৰাটোৱে বুঢ়ীৰ তোলনীয়া পো-ৰ দৰে হৈ পৰা সেই ডেকাজনক হোৱাই-নোহোৱাই গুৱালগালি পাৰিবলৈ ধৰিলে। সি ভাবিছিল যে এই অচিনা কাঠৰ থোৰাটাৰ বিৰুদ্ধে জালুক-পাণ কাটিব পাৰিলেই—তাৰ মতলব হাছিল হ'ব। কিন্তু তথাপি নহ'ল। তাৰ পাছত এদিন যেতিয়া বুঢ়ীৰ ল'ৰা আৰু সেই ডেকাজনো ঘৰত নাছিল, তেতিয়া বুঢ়ীয়ে সাঁচতীয়া ধনখিনি এঠাইত লুকুৱাই থ'লে, আৰু ঘৰৰ বস্তু-বাহানি অ'ত ত'ত লৰ্বাং-তৰ্বাং কৰি থ'লে। মাজনিশা বুঢ়ীৰ ল'ৰাটো পুনৰ ঘৰলৈ আহিল আৰু ঘৰৰ সকলো বস্তু আৰু সাঁচতীয়া ধনখিনিও চোৰে নিলে বুলি মাকৰ পৰা শুনি সি তাৰ মাকক ক'লে, "তইহে আচল পাপিনী। মই পইচা খোজাত নিদিয়াহ'লি বুলিহে তোৰ সাঁচনৰ ধন কাছনত গ'ল।" এই বুলি কৈয়েই সি ধুমুহাৰ দৰে অহাদি ধুমুহাৰ দৰেই ঘৰ এৰি গুচি গ'ল।

বুঢ়ীয়ে কঁকালৰ বিষ পাহৰি বহু কষ্টেৰে উঠি থিয় হৈ, ডেকাজনক অপাৰ মৰমতে বুকুত সাৱটি লৈ সকলোখিনি কথা ডেকাজনক বুজাই কোৱাৰ অন্তত ক'লে, "সেই সাঁচনৰ ধনৰ মূল্যনো কি ? বোপাটি, তুমিহে মোৰ বাঁচনৰ ধন।" ঠিক তেতিয়াই বেলিয়ে ধলফাট দিলে।





কৰমণ্ডলৰ কাণে কাণে ...

এইবাৰ আমি মান্নাৰ উপসাগৰক পিছ পেলাই সেই কৰমণ্ডলৰ কাণে কাণে আগবাঢ়ি যাম—যি-কৰমণ্ডল সৰোজিনী নাইডুৰ *কৰমণ্ডলৰ নদীয়াল* নামৰ কবিতাত অমৰ হৈ আছে। কৰমণ্ডলৰ সাগৰতটত অছে অসংখ্য মন্দিৰ-গিৰ্জা আদিৰ সমদল — ধৰ্ম'পিয়াসু ভক্তসকলৰ বাবে এক আদৰ্শ সাগৰতট। *চাৰ্চ অব্ আওৱাৰ লেডি অব্ হেল্থ*, ভেলানকান্নি—এক অতি উল্লেখযোগ্য ধৰ্মাশ্ৰম—য'ত হাজাৰ-বিজাৰ বিশ্বাসী নৰ-নাৰীয়ে তেওঁলোকৰ বেমাৰ-আজাৰৰপৰা মুক্ত হ'বলৈ আহে আৰু দেহৰ যিভাগত বেমাৰ হৈছে—সেইভাগৰ গঠনাকৃতিৰে সোণৰ বা ৰূপৰ বস্তু দান কৰে। এই চাৰ্চৰ মিউজিয়ামত সেইবোৰ প্ৰতিকৃতি ৰক্ষিত আৰু প্ৰদৰ্শিত হয়। বৰ্তমান চাৰ্চৰপৰা সাগৰৰ পাৰত থকা আদি চাৰ্চলৈ যাবলৈ যিছোৱা বাট আছে—সেই বাটছোৱা বাইবেলৰ কাহিনীত থকা এছোৱা বাটৰ বিবৰণৰপৰা বুটলি ৰূপাৰোপ কৰা হৈছে।



দি চাৰ্চ অব্ আওৱাৰ লেডি অব্ হেলথ, ভেলানকান্নি

ভেলানকান্নিৰ অদূৰতে আছে নাগপট্টিনাম নামৰ এখন ক্ষুদ্ৰ বন্দৰ। প্ৰচীন-কালত এই বন্দৰ বিখ্যাত আছিল। খৃষ্টীয় ৫ম শতিকাত এই বন্দৰ আছিল পল্লৱ-ৰাজসকলৰ নৌঘাঁটি। ২৪ কিল'মিটাৰমান আঁতৰত থকা তিৰুভাৰুৰ নামৰ ঠাইডোখৰ হ'ল কৰ্ণাটীয় সংগীতৰ সুবিখ্যাত ত্ৰয়ী মুথুস্বামী দীক্ষিতাৰ, শ্যামশাস্ত্ৰী আৰু ত্যাগৰাজাৰ জন্মস্থান।

নাগপট্টিনামৰপৰা চাৰি

কৰ্ণাটীয় সংগীতৰ ত্ৰয়ী

কিল'মিটৰমান উত্তৰদিশত অৱস্থিত—নাগোৰ। নাগোৰ—ছুলতান ছৈয়দ ছাহাবদুল হমীদ তথা হজৰত মিঞাৰ দৰগাহ্ হজৰত মিৰাৰ কাৰণে বিখ্যাত। পঞ্চচূড়া-সমন্বিত ৫০০ বছৰৰ প্ৰাচীন এই সোণৰ গুম্বজ তথা দৰগাহলৈ জাতিধৰ্ম-নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ নৰ-নাৰী ৰোগমুক্তিৰ কাৰণে ঢপলিয়াই আহে।

নাগোৰ—তালপাতৰ শিল্পৰ কাৰণেও বিখ্যাত। তালপাতেৰে মোনা, আহাৰৰ বাবে সা-সঁজুলি আৰু বনকৰা বিচনী ইত্যাদি অন্যান্য বস্তুও তৈয়াৰ কৰা হয়।

কাৰাইকাল হ'ল নাগোৰৰপৰা আৰু অল্পমান উত্তৰত থকা এক তীৰ্থস্থান, কেন্দ্ৰ-শাসিত পণ্ডিচেৰিৰ চাৰিখনৰ এখন জিলা।

খৃষ্টীয় ষষ্ঠ শতিকাৰ প্ৰাচীনতম ভক্তিসংগীতৰ পুৰোধা কাৰাইকল আম্মিয়াৰ এই স্থানৰ নমস্য নাৰী। তেওঁৰ ৰচিত তিনিখন বিখ্যাত গীত-গ্ৰন্থ হ'ল—আৰপুতাত-তিৰুৱানতাতি, ইৰাত্তাই-মণিমালাই, আৰু মাত্তাতিৰুপ্পতিকান্কাল।

কাৰাইকাল আম্মিয়াৰৰ পতিয়ে যেতিয়া পত্নীৰ অলৌকিকী শক্তিৰ কথা জনা হ'ল, তেওঁ পত্নীক এৰি গুচি গ'ল। পতিৰ আচৰণত ক্ষুব্ধ আম্মিয়াৰ তেতিয়া ভ্ৰমি ফুৰা চাৰণ হৈ পাৰিল আৰু মন্দিৰপৰা মন্দিৰলৈ গৈ গৈ ভক্তিসংগীতৰ জোৱাৰ উঠাই থাকিল। কাৰাইকালত তেওঁৰ নামলৈ উছৰ্গা কৰা এটি দ'ল আছে।

ডেনছবাৰ্গ দুৰ্গ

আমাৰ পৰৱৰ্তী গন্তব্য হওক **তৰংগমবাদি** নাইবা ট্ৰাংকিউবাৰ নামৰ সুপ্ৰাচীন ডেনমাৰ্কীয় উপনিবেশ। ১৬২০—১৮২০ লৈকে এয়ে আছিল ডেনমাৰ্কীয় একমাত্ৰ এছীয় সম্পত্তি। তৰংগমবাদিৰ প্ৰধান নগৰখন আজিও ডেনমাৰ্কীয় সকলে সাজি থৈ যোৱাৰ দৰেই আছে।

২০০ বছৰৰ প্ৰাচীন নগৰদ্বাৰ আজিও একেদৰেই বিদ্যামান, ডেনমাৰ্কীয় গাভাৰ্নাৰ যোহানেছ ৰেহ্‌লিঙৰ ৰেহ্‌লিংগাৰ্দ নামৰ সুদৃশ্য প্ৰাসাদ, যি প্ৰাসাদত ৰেহ্‌লিং ১৮২৩—১৮৪১ লৈকে বসবাস কৰিছিল, অজিও আছে। আৰু আছে ভালেমান গিৰ্জাগৃহযিবোৰ গিৰ্জাগৃহ অতীতৰ ডেনমাৰ্কীয় উপনিবেশৰ সাক্ষ্যৰূপে আজিও দণ্ডায়মান।

তৰংগম্বাদিৰ উত্তৰত কাবেৰী নৈৰ মোহনাত থকা **পুমপুহৰ** হ'ল চোলা-সাম্ৰাজ্যৰ অন্যতম জীৱন্ত সাক্ষী। পুমপুহৰ বন্দৰৰপৰা মায়নামাৰ, শ্ৰীলংকা, মালয়েছিয়া, ইন্দ'-চীন আৰু চীন দেশৰ সৈতেও বাণিজ্যিক আদান-প্ৰদান হৈছিল।

কিংবদন্তিমতে, ইয়াত জহকালি ইন্দ্ৰপূজা অনুষ্ঠিত হৈছিল, কিন্তু এবছৰ কিবা কাৰণত সেই অনুষ্ঠান নোহোৱাত জলদেৱী মণিমেকালাই অতিপাত ক্ৰুদ্ধা হৈ প্ৰলয়ংকৰ ধুমুহা-বানপাণীৰ সৃষ্টি কৰি নগৰ-বন্দৰ-জনপদ আদি সকলো মুহূৰ্ততে বুৰাই পেলাইছিল।

১৯৬২ চনত পুম্‌পুহৰৰ ধ্বংসাৱশেষ খান্দি উলিয়াওঁতে আদি নগৰৰ সন্ধান পোৱা গ'ল। পুমপুহৰ বৌদ্ধ ধৰ্মৰো এক কেন্দ্ৰ আছিল। হওঁতে— তামিল ভাষাৰ কালজয়ী গ্ৰন্থ **মণিমেকালাই** বৌদ্ধধৰ্মৰ বিস্তৃতিৰ বাবে ৰচিত হৈছিল।

এইবাৰ আমি **চিদাম্বৰম**লৈ খোজ ল'ম, যিখন চিদাম্বৰমত আছে নটৰাজৰ মন্দিৰ। এই মন্দিৰ মহাজাগতিক নৃত্যবিদ দেৱাদিদেৱ শিৱলৈ উৎসৰ্গিত।

কিংবদন্তি, নটৰাজ-নৃত্য উপলক্ষ্যে শিৱ আৰু পাৰ্বতীৰ মাজত প্ৰতিযোগিতা হৈছিল। উভয়েই সমভাবে নৃত্যৰ দক্ষতা প্ৰদৰ্শন কৰিব পাৰিছিল। এই নৃত্য-প্ৰতিযোগিতা চাবলৈ স্বৰ্গৰপৰা যিসকল দৰ্শক উপস্থিত হৈছিল, কাৰ নৃত্য উচ্চশ্ৰেণীৰ—সেই কথাৰ নিৰ্দ্ধাৰণ তেওঁলোকেও কৰিব পৰা নাছিল।

আৰু তেতিয়া শিৱই এক অসাধাৰণ নৃত্যকলা—যৌগিক নৃত্যকলা প্ৰদৰ্শন কৰিলে, যি নৃত্য আছিল এক পদ (ভৰি)-নৃত্য—আৰু এইবাৰ পাৰ্বতীয়ে শিৱৰ ত্যাগত পৰাভৱ স্বীকাৰ কৰি ল'লে।

এই মন্দিৰত শিৱৰ নৃত্যৰত মূৰ্তি প্ৰতিষ্ঠিত। এই মূৰ্তি হ'ল পঞ্চধাতুৰ মূৰ্তি—যি ধাতুসমূহৰ মাজত তাম আৰু সোণও আছে।

আমাৰ পৰৱৰ্তী ঠাই হওক—পণ্ডিচেৰি, কেন্দ্ৰ-শাসিত পণ্ডিচেৰি—যি-পণ্ডিচেৰিৰ এক সুমহান ঐতিহ্য অতীতৰেপৰাই বিদ্যমান। খৃষ্টীয় প্ৰথম শতিকাৰেপৰাই—ৰোমীয়, পৰ্টুগিজীয়, ফৰাছি, ডাচ আৰু ইংৰাজেও ইয়াত বাণিজ্য-কেন্দ্ৰ আৰু লগতে উপনিবেশও স্থাপন কৰিছিল। এই উপনিবেশনসমূহ এই শতিকাৰ মাজভাগলৈ বিদ্যমান আছিল। ১৮১৪ চনৰপৰা ১৯৫৪ চনলৈকে পণ্ডিচেৰি ফৰাছি-অধিকাৰত আছিল।

ভাৰতৰ স্বাধীনতা-সংগ্ৰামৰ কালত, পণ্ডিচেৰি আছিল স্বাধীনতা-সংগ্ৰামীসকলৰ অন্যতম

শিৱৰ নটৰাজ-নৃত্য

আশ্ৰয়স্থল। কবি সুব্ৰহ্মণ্য ভাৰতীয়ে ইয়াতে দেশপ্ৰেমমূলক অতি উচ্চস্তৰৰ গীতি-কৱিতা ৰচিছিল। *এল এছ কাননপট্টু*, *কুয়িল পট্টু* আৰু *পাঞ্চাল সপ্তম* নামৰ গীত-গ্ৰন্থ তামিল ভাষাৰ এক নৱযুগৰ সৃষ্টি কৰিছিল। তেওঁৰ ৰচিত অগ্নিগীতিসমূহ তামিল-ৰাইজে গৌৰৱৰে গাইছিল। কবি সুব্ৰহ্মণ্যৰ ২০ ঈশ্বৰন ধৰ্মৰাজ কয়িল আলিত থকা ঘৰটো জাতীয়-স্মাৰক ৰূপে সংৰক্ষিত কৰা হৈছে।



শ্ৰীঅৰবিন্দ

এই পণ্ডিচেৰিতে আন এগৰাকী মহান স্বাধীনতা-সংগ্ৰামী শ্ৰীঅৰবিন্দ ঘোষ আশ্ৰয় লৈছিলহি। তেওঁ ১৯২০ চনত পণ্ডিচেৰিলৈ আহিছিল, আৰু ইয়াতে আধ্যাত্মিক জীৱনৰ পাতনি তৰিছিল। তেওঁৰ ৰচিত অসংখ্য আধ্যাত্মিক গ্ৰন্থৰ অন্যতম—*লাইফ ডিভাইন*, *সাৱিত্ৰী*, আৰু *গীতা*ৰ সটীক ব্যাখ্যা, উপনিষদ আৰু *বেদ* অতি উচ্চখাপৰ ৰচনাৰূপে ভাৰতীয় জন-সমাজত আদৃত আৰু বহুলভাবে পঠিত।

শান্তিপূৰ্ণ জীৱনযাপনৰ আদৰ্শ মতে শ্ৰীঅৰবিন্দই পৱিত্ৰ মাতাৰ (হোলি মাদাৰ মীৰা অ্যালফা)ৰ সৈতে লগ লাগি এখন আশ্ৰম প্ৰতিষ্ঠা কৰিছিল। ১৯২০ চনৰপৰা ১৯৫০ চনত তেওঁৰ দেহান্তলৈকে ফৰাছি দেশীয় এইগৰাকী মাদাৰে এই মহাঋষিৰ সৰ্বকাৰ্য্যত হাত উজান দিছিল, সক্ৰিয় সহযোগ কৰিছিল। মাদাৰ আছিল শ্ৰীঅৰবিন্দৰ আধ্যাত্মিক কৰ্মৰযোগ্য উত্তৰাধিকাৰিণী। ১৯৭৩ চনত তেওঁ লোকান্তৰিত হৈছিল।

অৰোভিয়ে (অৰোভিল) *বা দ্য ছিটি অব্ ডন্* (উষা-নগৰী) পণ্ডিচেৰিৰপৰা ৮ কিল'মিটাৰ দূৰত অৱস্থিত। এই নগৰখন অৰবিন্দৰ নামলৈ উছৰ্গা কৰা হৈছে, যিগৰাকী অৰবিন্দই কৈছিল : 'পৃথিৱীত এনেহেন এডোখৰ ঠাই থাকিব লাগে, যিডোখৰ ঠাই হ'ব সৰ্বমানৱৰ বাবে, যি ঠাইডোখৰৰ বাবে পৃথিৱীৰ কোনো দেশেই অধিকাৰ দাবী কৰিব নোৱাৰিব, যি-ঠাই হ'ব সৰ্বমানৱৰ শুভেচ্ছাৰ মংগলৰ ঠাই, যিঠাইত বিশ্বৰ সকলোটিয়েই মুক্ত নাগৰিকৰূপে কেৱল মহতোমহান *সত্য*ৰ অধীনত জীৱনযাপন কৰিব পাৰিব।

অৰোভিলৰ মাতৃ-মন্দিৰ

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996



আবতৰীয়া বেঙেনা

ধৰমপুৰৰ ধনৰাম আছিল সদায় আনৰ ভালখিনিকে দেখি থকা মানুহ। নামটো ধনৰাম, কিন্তু ধনৰ ধনিক নহয়, মনৰহে ধনিক। বহল মনৰ ধনৰামৰ ঘৈণীয়েক অৰুণাও আছিল অতি মিঠা স্বভাৱৰ। গাঁৱৰ ৰাইজে এইহালৰ ভদ্ৰতা আৰু আতিথেয়তাৰো বৰকৈ শলাগ লৈছিল।

কিন্তু উগ্ৰপুৰৰ উমাপতি আছিল ধনৰামৰ একেবাৰে বিপৰীত। উমাপতিয়ে নিজক, আৰু নিজৰ গাঁওখনকে 'বিচাৰি নোপোৱা জনমটো কৰিলেও পাত' বিধৰ ভাবিছিল, আৰু ধনত শিতান দি ঘৰতে সোমাই থাকিছিল। বাহিৰত কি হৈছিল-নহৈছিল—ধনীমানুহ উমাপতিয়ে তাৰ খা-খবৰ ল'বলৈ কোনো আৱশ্যকেই বোধ নকাৰিছিল। উমাপতি আছিল ঘৰ-গোনা আত্মতুষ্ট আৰু নিজক সৰবজান বুলি ভবা মানুহ। যৌৱনকালত কোনো ছোৱালীকে তেওঁৰ পচন্দ নহৈছিল, আৰু সেইহে—বয়সে ভাটি দিয়াৰ কালতে—শেষৰ দিনবোৰৰ কথা ভাবি বাধ্যত পৰিয়েই ধেনু ভাঙিছিল।

বিয়াৰ এমাহতেই কৰুণাই তাইৰ গিৰিয়েক উমাপতিৰ উৰা-ভুৰা জানি ল'লে। উমাপতিৰ মাজত গিয়ান-বুধি নথকা নহয়, আছে কিন্তু সেই গিয়ানে যে তেওঁক দৰাচলতে আপোন-যহী আবতৰীয়া বেঙেনাহেন কৰি তুলিলে—সেই সাৰুৱা সাৰকথাটি কৰুণাজনীয়ে ঠাৱৰ কৰিব পাৰিলে। উমাপতিয়ে আনৰ প্ৰশংসা কৰাটো ডিমৰুৰ ফুলহেন কথা।

চাই-চিতি কৰুণাৰ ধাৰণা হ'ল যে—উমাপতিক যদি ঘৰৰ তথা গাঁৱৰ বাজ কৰিব পৰা যায়—তেনেহ'লে হয়তো কিছু বাস্তৱ জ্ঞান পাব। এই কথা ভাবি, কৰুণাজনীয়ে গিৰিয়েক উমাপতিক লগত লৈ ধৰমপুৰৰ ধনৰামৰ ওচৰলৈ-যাবলৈ খাটাং কৰিলে। ধৰমপুৰৰ ধনৰাম আছিল — উমাপতিৰ কিছু দূৰ-সম্পৰ্কীয় হ'লেও—কুটুম।

কিন্তু কৰুণাজনীৰ প্ৰস্তাৱ শুনামাত্ৰেই

অনুপমা বৰগোহাঞি

উমাপতিয়ে 'নাই, নাযাওঁ' বুলি একেবাৰে নগদে-নগদ খাৰাংখাচ কৈ দিলে।

তেতিয়া কৰুণাই ক'লে, "ধৰমপুৰখন— আমাৰ এই উগ্ৰপুৰতকৈ সহস্ৰগুণে ভাল। আৰু ধনৰাম ককাইদেউ হ'লধৰমপুৰৰ এগৰাকী খ্যাতিমান-মান্যমান মানুহ। তেওঁ মোৰ কিছু দূৰ-সম্পৰ্কীয় হ'লেও—ককাইদেউ। তেওঁৰমান জানন্তা দহোখন গাঁৱতো বিচাৰি পাবলৈ নাই—এই কথাত ধৰমপুৰীয়া ল'ৰা-বুঢ়া একমত। তালৈ এবাৰ গ'লেহে গম পোৱা যাব যে—আপোনালোকৰ মাজত প্ৰকৃততে কোনজন ডাঙৰীয়া—আপুনিনে ককাইদেউ।"

ঘৈণীয়েকৰ কথাত কিঞ্চিত অপমান পোৱা যেন পাই—শেহলৈ তালৈ যাবলৈ মান্তি হ'ল।

আৰু পাছদিনাই কৰুণা আৰু ঘৰগোনা উমাপতিও ধৰমপুৰলৈ বুলি ওলাল।

ধনৰাম আৰু অৰুণাই উমাপতিক আৰু কৰুণাকো অতি উদাৰতাৰে আদৰি ল'লে।

অৰুণাই জা-জলপানৰ লগত খীৰ দিলে, আৰু সেই উপাদেয় খীৰ খাই কৰুণাই খীৰখিনিৰ সোৱাদৰ কথা পঞ্চমুখে ক'লে।

কিন্তু উমাপতিয়ে ক'লে, "আচলতে— ভাল খীৰ বনাবলৈ হ'লে ডাঠৰো ডাঠ ম'হৰ ডগ্‌ৰা গাখীৰ লাগে। আৰু যদি সেই গাখীৰত—মানে খীৰত—উগ্ৰাপুৰৰ কাজু বাদাম দিয়া হয়—তেনেহ'লে তো কথাই নাই। আৰু সেই যদি বনায় মোৰ মাতৃয়ে— তাৰ সোৱাদ যিজনে ল'ব, সেইজনে আনত খীৰ খালেও খাৰ বুলিহে ভাবিব।"

ধনৰামে হাঁহিৰে ক'লে, "ভিনদেৱে আমাক উগ্ৰপুৰলৈ মতা যেন পাইছোঁ। কিন্তু— উগ্ৰপুৰলৈ যাওঁ যদি কেৱল খীৰেই খামনে? শাহুআইৰ হাতৰ আৰু কিবাকিবি দুয়োহাতে খাম বুলিহে যাম।"

ধনৰামে উমাপতি-কৰুণাৰ কাৰণে কোমলৰো কোমলকৈ বিছনাৰ বন্দৱস্ত কৰিছিল। কিন্তু উমাপতিয়ে কৈছিল, "জহৰ দিনত—এনেকুৱা বিছনা—ভালেই। পিছে—আমাৰ গাঁৱত এবিধ কপাহ ওপজে', তাৰে তুলি বনালে—সেই তুলিত শোৱামাত্ৰেই দেহা জুৰ পৰে।"

কৰুণাই ধনৰামক একাষৰীয়াকৈ মাতি নিলে আৰু তেওঁক সৰু সৰুকৈ ক'লে, "ককাইদেউ, তুমি আনৰ আনকি দেখ দেখ

দোষ-জগৰো নেদেখা, কেৱল প্ৰশংসাহে কৰা। মোৰ তেওঁ—বুজিছাই—আনৰ ছিদিৰ ধৰাত সদায় সক্ষম। মানুহজন হওঁতে বৰ বেয়া নহয়, কিন্তু এই যে আপোন-যহী দোষ—মই গুচাব পৰা নাই। আৰু মাত্ৰ এই কাৰণেহে মই তোমাৰ কাষ চাবিবছোঁ, আৰু এওঁকো বহু চেষ্টাৰে লগত লৈ আহিব পাৰিছোঁ। এওঁক শুধৰাবলৈ কিবা এটা উপায় কৰাঁ, ককাইদেউ।"

"কথাটো—আগতীয়াকৈ ক'লা যে—ভাল কৰিলা। বাৰু, চাই থাকা মই কি কৰোঁ।"

পাছদিনা ধনৰামে উমাপতিক লগত লৈ গাঁৱৰে মুকুন্দৰ ঘৰলৈ গ'ল।

মুকুন্দই কিছুদিনৰ আগতে তাৰ ছোৱালীৰ বিয়া পাতোঁতে ধনৰামে দুহেজাৰ টকাৰে সহায় কৰিছিল। মুকুন্দই তাৰ ভাগি পৰোঁ পৰোঁ ঘৰটোক মেৰামতি কৰোঁতে—ধনৰামে বাঁহ দিছিল—মানে—বাঁহৰ যোগান ধৰিছিল। এনেকৈ আৰু ঢেৰ সহায়-সাৰথি পাইছিল। কিন্তু মুকুন্দই ধনৰামৰ প্ৰশংসাত মুখত সোপা দি থৈছিল, আৰু কেতিয়াবা ধনৰামৰ কিবা কামত তিলৰ দৰে ত্ৰুটি পোৱা হ'লে ৰটি ফুৰিছিল।

উমাপতিক লগত লৈ ধনৰাম যেতিয়া মুকুন্দৰ ঘৰ পালেগৈ, তেতিয়া ধনৰামলৈ পৰোৱা নকৰি মুকুন্দই উমাপতিৰ সৈতেহে কথাৰ ফুলজাৰি ছটিয়াই থাকিল। ধনৰামে মুকুন্দৰ সৈতে কথা পতাৰ চেষ্টা কৰাত মুকুন্দই কৈ উঠিল, "কাইলৈ মই গৰু এটা কিনি



আনিম। দৰদাম যি স্থিৰ হৈছে—মোৰ ওচৰত আটাইখিনি নাই—এশ টকামান কম পৰিব। বাহানা নকৰিবা, নাইত হাত নিদিবা, এশ টকা দিব মোক লাগিবই।"

মুকুন্দৰ ঘৰৰপৰা উভতি আহোঁতে ধনৰামে উমাপতিক ক'লে, "তুমিয়েই কোৱা, মুকুন্দহেন অশলাগীৰ সৈতে অকৃতজ্ঞৰ সৈতে কেনেকুৱা ব্যৱহাৰ কৰিম ?"

উমাপতিয়ে কেইক্ষণমান ভবা-গুণা কৰি ক'লে, "মুকুন্দ হ'ল আমাৰ গাঁৱৰ গোবিন্দৰ দৰে। মুকুন্দই যেতিয়া ফটফটকৈ কথাৰে আখৈ ফুটাইছিল—তেতিয়া তাৰ কথালৈ সিমান কাণ নাপাতি গোবিন্দৰ কথাহে ভাবি আছিলোঁ মই। যদিও মোৰ মনত আছিল যে—তুমি গোবিন্দৰ নামত মোৰে ওচৰত কিবাকিবি

কৈছিলা—কিন্তু গোবিন্দত মই কোনো দোষ-জগৰ দেখা নাই। মোৰ ধাৰণা—কোনোবা এজন মানুহৰ সৈতে কেনেকৈ ভাল ব্যৱহাৰ কৰিব লাগে—তাকেহে তুমি নাজানা। মানুহৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিব লাগে—মোৰ মাতৃয়ে মোক শিকাইছিল। সেইকাৰণেহে—সকলোটিয়েই মোক গণে, মানে, ভাল পায়।"

উমাপতিয়ে ধনৰামক লোকৰ সৈতে ভাল ব্যৱহাৰৰ উপায় শিকোৱাত ধনৰামে উমাপতিলৈ ধন্যবাদ জনালে। উমাপতিয়ে ক'লে, "মইনো কি উপায় দিলোঁ?"

"তুমি আনৰ সৈতে যেনেকুৱা ব্যৱহাৰ কৰাঁ, মুকুন্দৰ সৈতে এতিয়াৰপৰা ময়ো তেনেকুৱা আচাৰ-ব্যৱহাৰ কৰিম। তেতিয়া আৰু কোনো সমস্যা নাথাকিব।—তোমাৰ বক্তব্য এয়ে নহয়নে?"

উমাপতিয়ে কওঁ নকওঁকৈ ক'লে, "ওঁ—ওঁ, হওঁতে—ঠিকেই কৈছা।"

গাঁৱৰ এঠাইত এডৰা আমনি আছিল। ধনৰামে তালৈ আঙুলিয়াই উমাপতিক ক'লে, "ইয়াত জন্তু-জানোৱাৰৰ হাড়ৰ গুড়ি আমগছৰ গুৰিত দিয়া হয়। তাৰ ফলত, এই আমনিৰ আম ইমানযে সোৱাদ হয়—কি ক'ম।"

"জন্তু-জানোৱাৰৰ হাড়ৰ গুড়িৰে ওপজা আমেই হওক জামেই হওক, বা মধুৰিআমেই হওক—খালেই দেহত বিষ সোমাব।"

সাতদিনৰ অন্তত যেতিয়া উমাপতি-কৰুণাই ঘৰলৈ বুলি খোজ ল'লে, তেতিয়া কৰুণাই ধনৰাম-অৰুণালৈ তেওঁলোকৰ সুন্দৰ আতিথ্যৰ বাবে ধন্যবাদ দিলে। ধনৰামে—অলপমান আঁতৰত থিয় হৈ থকা উমাপতিলৈ আঙুলিয়াই ক'লে, "তেওঁকো এইখিনি কথা ক'বা। আকৌ আহিবা, ভিনদেউকো লগত লৈ আহিবা কিন্তু, নাপাহৰিবা।"

কৰুণাই ক'লে, "কিনো কৈছা, ককাইদেউ তেৱোঁ মোৰে সৈতে ইয়ালৈ অহা নাইনে?"

'নই অহা।" হাঁহি থকা ধনৰামে ক'লে, "বুজাই কওঁ, ভিনদেউ ইয়াত থকা সত্ত্বেও তেওঁৰ মন-প্ৰাণ তেওঁলোকৰ গাঁৱৰ সীমা পাৰ হ'ব পৰা নাছিল, তেওঁ উগ্ৰপুৰতে আছিল।"

জীৱনত এয়ে প্ৰথমবাৰৰ বাবে উমাপতিয়ে লাজ পাইছিল, আৰু পাছত বহু চেষ্টাৰে কৰুণাৰ সহায় পাই নিজক সলাব পাৰিছিল।

চান্দমামাৰ সোণালী দুৱাৰ - ১০

১. ...বৰফেৰে ঢাক খোৱা এই আগ্নেয়-পৰ্বত ক'ত আছে ? সেই দেশবাসীয়ে এই আগ্নেয় পৰ্বতক অতি পবিত্ৰ বুলি মানে। এই পৰ্বতৰ উচ্চতা ৩৭৭৫ মিটাৰ আৰু কোৱা হয় যে জগতত এই পৰ্বতৰ সৰ্বাধিক সংখ্যক আলোকচিত্ৰ লোৱা হৈছে।

পৃথিৱীৰ কোন কোন ঠাইত এইবিলাক পৰিলক্ষিত...

২. ...শ্বিউড্যাগন...?

ইয়ক গ'ল্ডেন প্যাগোডা বুলিও কোৱা হয়। শ্বিউড্যাগন হ'ল ৮৮৬৮ খন পাতল সোণৰ পাতেৰে মেৰিউৱা এক বৌদ্ধ-মন্দিৰ।

৩. ...বিগ বেন...?

বিগবেন হ'ল পৃথিৱীৰ এক অতি বিখ্যাত ঘণ্টা-ঘড়ি, যিটো ঘড়ি তাৰ পৰ্যবেক্ষণকাৰীৰ নামেৰে নামকৰণ কৰা হৈছিল বুলি কোৱা হয়। এই ঘড়ি চোৰাচিতা কৰা মানুহজন আছিল আচলতে ভুকুৱাভুকিৰ যোদ্ধা, অৰ্থাৎ মুষ্টিযোদ্ধা।

৪. ...বিচিত্ৰ দীঘল-নেজীয়া লেমুৰ...?

কিছুমান লেমুৰ দেখাত বান্দৰৰ দৰে। আৰু আন কিছুমান চিকা আৰু কেৰ্কেটুৱাৰ দৰে। তাতোকৈ সৰুবোৰ দেখাত এন্দুৰ-নিগনিৰ দৰে।

৫.... বৃহত্তম গাঁত... ?

১৮৭১ চনত ইয়াত হীৰা আৱিষ্কৃত হৈছিল। তেতিয়াৰপৰা ১৯১৫ চনলৈকে হীৰাৰ খনিৰ বনুৱাসকলে প্ৰায় ২৩ মিলিয়ন টন

বোকামাটি আৰু ২.৭ টন হীৰা গভীৰ ভূগৰ্ভৰপৰা খান্দি উলিউৱাত পৃথিৱীৰ বৃহত্তম গাঁতৰ সৃষ্টি হৈছে।

কথাৰ ফাঁহ

কেতিয়াবা কেতিয়াবা আনকি ক্ষুৰক্ষাৰ বুদ্ধিৰ ডিটেকটিভসকলেও ভুল নকৰা নহয়। কৰে। তলাত থকা কথাখিনি পঢ়ি—বিশ্বখ্যাত ডিটেকটিভ শ্বাৰ্লক হোমছে কি কথাত ভুল কৰিছিল ক'ব পাৰিবানে ?

মিষ্টাৰ হোম্‌ছ, আপুনি ভুল কৰিলে

বৰদিনৰ পাছদিনা আগবেলাতে মই মোৰ বন্ধু শ্বাৰ্লক হোমছৰ ওচৰলৈ গৈছিলোঁ। তেওঁ এযোৰ বেঙুনীয়া বৰণৰ পোছাক পিন্ধি ছোফাত বহি চুৰট হুঁপি আছিল, এখন কাঠৰ চকী, আৰু চকীৰ পিছফালে ওলমি আছিল লেতেৰা ফটাবিধৰ এটা ফেল্ট টুপী। ছোফাৰ ওপৰত একাষত পৰি আছিল এটা দুৰ্বীন আৰু এডাল গালসঁৰাহ। এইবোৰ বস্তু যে হোমছে পৰীক্ষা-নিৰীক্ষাৰ বাবে থৈছে, সন্দেহ নাই।

মই ক'লোঁ, "মই বোধকৰোঁ—কামত বাধাহে দিলোঁ।"

"একেবাৰেই নহয়, বৰং মোৰ ফলাফলৰ আলোচনা কৰিব পৰা এগৰাকী বন্ধুক পাই মই আনন্দিত। কথা—হওঁতে মামুলীয়েই, পিছে পেটৰ ভাত চাউল হোৱাবিধৰো কিছু-কিঞ্চিত নথকা নহয়।

"অ' — কমিশ্যনাৰ পিটাৰ্ছনক তুমি জানাই নহয় ?"

"ওঁ তো, জানো—।"

"কথাখিনি — তেওঁৰ সম্বন্ধিত —।"

"এই ফেল্টৰ টুপীটো — তেওঁৰহেনে ?"

"নহয়। এই টুপীটো তেৱেঁই বিচাৰি আনিছিল। এই টুপীটোৰ মালিক কোন নাজানো।"

"মালিকৰ সা-সন্ধান— একোৱেই পোৱা নাইনে ?"

"এইটোৰেপৰাই সন্ধান উলিয়াব লাগিব।"

"এই টুপীটোৰেপৰাইনে—?"

"ওঁ।"

"এনেহেন আওপুৰণি টুপী এটাইনো কি সা-সন্ধান দিব ?"

তেওঁ টুপীটো হাতেৰে দাঙি ল'লে আৰু ঘূৰাই-পকাই চোৱাৰ অন্তত ক'লে, "এই টুপীৰ মালিক যে অতি বুদ্ধিমান—সেই কথাত সন্দেহ নাই।"

"হোমছ, ধেমালি কৰিছানে ? মই ইমানেইনে হোজাটো ? কিহৰ ভিত্তিত এই টুপীৰ মালিকক বুদ্ধিমান বুলি কৈছোনো ?"

এই প্ৰশ্নৰ উত্তৰত হোম্‌ছে টুপীটো মূৰত পিন্ধি ল'লে আৰু টুপীটোৱে হোমছৰ নাকলৈকে ঢাকি পেলালে।

হোমছে ক'লে, "ইমান বুদ্ধিমান মানুহ এজনৰ মূৰত সাৰবস্তু কিছু-কিঞ্চিত থাকিবই।"

(কোনন ডয়িল-ৰচিত 'দি ব্লু কাৰ্বাংকল' নামৰ ৰচনাৰপৰা বোটলা হৈছে।)

চিত্ৰৰ ফাঁহ

এজন ৰেড ইণ্ডিয়ান মানুহে সাগৰ-পাৰত প্ৰথম দল ইউৰোপীয় লোকসকলক অহা দেখা পালে। এইখন চিত্ৰত এটা ডাঙৰ ভুল আছে। সেই ভুল কি ভুল ?

বিদেশীসকল যেতিয়া সাগৰৰ পাৰলৈ আহিল

© Amrita Bharati, Bharatiya Vidya Bhavan, 1996

চিত্ৰৰ সাঁথৰ

১. তলৰ চিত্ৰত থকা
(ক) এটা প্যাৰট মাছ
(খ) এটা হুইছলাৰ

২. এখন হ্ৰদৰ পানীত ভাঁহি থকা অৱস্থাত এই মানুহজনে এখন কিতাপ পঢ়িছে। এইখন হ্ৰদৰ পানী পৃথিৱীৰ সৰ্বাধিক লুণীয়াপানী। এই হ্ৰদৰ নাম : (ক) কাস্পিয়ান হ্ৰদ, (খ) ডেড্ চি, (গ) ট'ৰ্ৰেন্‌ছ হ্ৰদ



৩. এইখন মানচিত্ৰ—
(ক) স্পেনদেশৰ (খ) ফৰাছি-দেশৰ (গ) পৰ্টুগালৰ

আঁকিবলৈ শিকাঁ..............................

সোণালী দুৱাৰ–৯ উত্তৰ

পৃথিৱীৰ ক'ত আছে ?

১. কোলা বিছ কেৱল অস্ট্ৰেলিয়াত আছে।
২. জলকুঁৱৰীৰ মূৰ্তি কোপেনহাগেন পোতাশ্ৰয়ৰ প্ৰৱেশদ্বাৰত আছে।
৩. তুছাদৰ মমৰ মূৰ্তিৰ সংগ্ৰহালয় লনডনত।
৪. সোণালী দুৱাৰৰ দলং পাৰ হ'বলৈ হ'লে আমেৰিকাৰ ছানফ্ৰানছিছকোলৈ যাব লাগিব।

প্ৰশ্নাৱলীৰ উত্তৰ

১. তিনিও সমান ভাগেৰে ভগাই লৈছিল, তাৰ কাৰণে জানোচা—এখন ৰুটি তিনি টুকুৰা কৰি লৈছিল। সৰ্বমুঠ ২৪ টুকুৰা। গাইপতি আঠ টুকুৰাকৈ। পাঁচখন ৰুটিৰ মালিকে পোন্ধৰ টুকুৰা (১৫-৮) নৱাগন্তুক বাটৰুৱাক দিছিল। তিনিখন ৰুটিৰ মালিকে (৯-৮) ৯ টুকুৰা দিছিল। সেইহে—সাত টুকুৰা দিয়াজনে সাতটি ৰূপৰ মুদ্ৰা, আৰু এটুকুৰা দিয়াজনে মাত্ৰ এটা ৰূপৰ মুদ্ৰা পাব লাগে।
২. তেতিয়া বৰষুণ দিয়া নাছিল।
৩. যি কাম সকলোটিয়ে কৰে, সিহঁতেও তাকেই কৰিছিল। দলিয়াই পেলাইছিল।
৪. ৫ খন বাছ ৰোৱা ঠাই।
৫. কেৱল বগা ৰুমালৰ চুকক ৰঙা ৰুমালৰ চুকত বান্ধিব লাগিব।
৬. সৌকা। সৌকা শব্দৰ গতিতকৈয়ো বেগী।
৭. গিলাছ। পানীৰে নহয়, আন কিবা জুলীয়া বস্তুৰে পূৰ্ণ আছিল।
৮. পঞ্চম দিনৰ দিনা পানী পৰিছিল। এতিয়া আৰু আঠদিন বাকী থাকিল। কিন্তু তাৰ কাৰণে কোনেও আলৈ-বিলৈত নপৰিল। তাৰ অৰ্থ হ'ল যে—৮ লিটাৰ পানী মৃত ব্যক্তিৰ।
৯. বলৱন্ত শৰ্মাই বাঁওহাত দাঙিছিল, আহত হাতখন নহয়।

মহাভাৰত

৩৩

শকুনিয়ে উমানতেই উপলব্ধি কৰিলে যে পাণ্ডৱৰ বৃত্তান্ত শুনি মহাৰাজ ধৃতৰাষ্ট্ৰ আপোন অক্ষমতাজনিত অন্যায় কাৰ্য্যৰ ফলত এতিয়া অনুতাপদগ্ধ হৈছে, আৰু কৌৰৱৰ ভৱিষ্যৰ কথা ভাবি উগুল-থুগুল হৈ পৰিছে। শকুনিয়ে এই উপলব্ধিৰ কথা কৰ্ণক ক'লেগৈ। পাছত উভয়ে মিলি মহাৰাজ ধৃতৰাষ্ট্ৰৰ ডৰুকমনৰ কথা দুৰ্য্যোধনক ক'লে। আৰু—এই কথা জানি, দুৰ্য্যোধনেও চিন্তাৰ চাকনৈয়াত পৰিলে।

তেতিয়া কৰ্ণই দুৰ্য্যোধনক ক'লে, "হে ৰাজন্! যি-চিন্তা হ'ব লাগে পাণ্ডৱৰ, সেই চিন্তা কিয় হ'ল তোমাৰ ? বৰঞ্চ—তুমি কৌৰৱৰ শক্তি-সম্পদ প্ৰদৰ্শিবলৈ সদলে-সসৈন্যে পাণ্ডৱহঁত বাস কৰি থকলা দ্বৈতবনলৈ যোৱা, আৰু পাণ্ডৱৰ প্ৰাণত ত্ৰাস আৰু দ্ৰৌপদীৰ অন্তৰত দুখৰ সৃষ্টি কৰাগৈ।"

শকুনিয়ে কৰ্ণৰ প্ৰস্তাৱত হয় কৰিলে আৰু দুৰ্য্যোধনক উচটাই গাই যোৱাবলৈ চেষ্টা দিলে।

দুৰ্য্যোধনে ক'লে, "তোমালোকৰ উভয়ৰে কথা—সঠিক। কিন্তু পিতাশ্ৰীয়ে মোক দ্বৈতবনলৈ যোৱাৰ অনুমতি দিবনে সন্দেহ। কিয়নো—তোমালোকেই ক'লা যে পাণ্ডৱৰ দুঃস্থিতিত তেওঁ অতিপাত চিন্তিত।"

পাছদিনা, শকুনিৰ পৰামৰ্শক্ৰমে সমঙ্গ নামৰ এজন পশুপালকক লগত লৈ কৰ্ণ, দুঃশাসন, দুৰ্য্যোধন আৰু শকুনি—এই দুষ্ট-চতুষ্টয় মহাৰাজ ধৃতৰাষ্ট্ৰৰ কাষ চাপিল আৰু যথোচিত গহীন কণ্ঠেৰে ক'লে, "মহাৰাজ, আমাৰ পশুৰ জাক এতিয়া দ্বৈতবনত আছে, কিয়নো দ্বৈতবনত আছে সুবিস্তৃত চৰণি-পথাৰ, সেউজীয়া কোমল ঘাঁহৰ অফুৰন্ত সমদল। কিন্তু—দ্বৈতবনত ব্যাঘ্ৰও নথকা নহয়। এতেকে—আমাৰ পশুকুলক নিৰাপদ কৰিবলৈ, সুৰক্ষিত কৰিবলৈ যথোপযুক্তব্যৱস্থা

'ঘোষ-যাত্ৰাৰ আঁৰত'



মনত ভীতিভাৰ উপজিবপৰা কোনো কাৰ্য্য—যদি সেই কাৰ্য্য কোনো দুষ্কৰ্ম নহয়ও—কৰা উচিত নহ'ব। মনত ৰাখিবাঁ, সম্প্ৰতি অৰ্জুনে স্বৰ্গলোকলৈ গমন কৰি তাৰপৰা বিধোবিধ দিব্যাস্ত্ৰ লৈ উভতি আহিছে। অতঃপৰ—মোৰ বক্তব্য হ'ল যে—তোমালোকে দ্বৈতবনলৈ যোৱাৰ পৰিকল্পনা পৰিহাৰ কৰাঁ। যদি তথাপি পশু-ৰক্ষণৰ প্ৰয়োজন হয়েই—আন কাৰোবাক প্ৰেৰণ কৰাঁ।"

শকুনিয়ে মহাৰাজ ধৃতৰাষ্ট্ৰক ক'লে, "আমি আপোনাক এই প্ৰতিশ্ৰুতি দিব পাৰোঁ যে—তাত আমি কোনো প্ৰকাৰৰ উদ্ভণ্ডালি-উপদ্ৰৱৰ কাষেদিও নাযাওঁ। বিশেষকৈ—পাণ্ডৱহঁত যিখিনিত আছে, তালৈ আমি নিশ্চয়েই নাযাওঁ। কিয়নো আমিও জানো যে—জ্যেষ্ঠ-পাণ্ডৱ ধৰ্মৰাজ প্ৰকৃততেই ধৰ্মমূৰ্তি।

ধৃতৰাষ্ট্ৰৰ মন কিছু কুমলিল, আৰু শকুনিহেন সিয়ানৰ কথাতো বিশ্বাস স্থাপন কৰিলে। কিয়ৎক্ষণ ভাবি লৈ মহাৰাজে ক'লে, "ঠিক আছে, যোৱা তেনে।"

মহাৰাজ ধৃতৰাষ্ট্ৰৰ সন্মতি লভি দুষ্ট দুৰ্য্যোধনে তিনি টিলিকি মাৰিলে, আৰু তেতিক্ষণেই কৰ্ণ, শকুনি, দুঃশাসন, আৰু অন্য অন্য বছা-বছা নাগৰিকক আৰু তেওঁলোকৰ পত্নীসকলেকো লগত লৈ, হাজাৰ-বিজাৰ সেনাৰে সৈতে দ্বৈতবনলৈ বুলি ৰাওণা কৰিলে।

দ্বৈতবন পাই কৌৰৱে পশুপালক সমঙ্কক সোধ-পোছ কৰি সেই সুন্দৰী শোভাময়ী বনত

হাতত ল'ব লাগে যে—এই কথা নিবেদিলৈহে আমি আপোনাৰ সমীপস্থ হৈছোঁ।"

তেতিয়া কৰ্ণ আৰু শকুনিয়ে ধৃতৰাষ্ট্ৰক ক'লে, "স্বয়ং দুৰ্য্যোধন যদি দ্বৈতবনলৈ যায়—পশু-পাল ৰক্ষাৰ বাবে সৰ্বোত্তম বন্দৱস্ত কৰিব পাৰিব। তেওঁ হেলাৰঙে ব্যাঘ্ৰকুলৰ বিনাশ সাধিব পাৰিব, আৰু আমাৰ অসংখ্য পশুৰ সুৰক্ষাৰ সুবন্দৱস্ত হ'ব।"

মহাৰাজ ধৃতৰাষ্ট্ৰই ক'লে, "পশু-সম্পদৰ ৰক্ষাৰ বাবে দ্বৈতবনলৈ গমন কৰাৰ প্ৰস্তাৱ—সমুচিত; কিন্তু এই সময়ত দ্বৈতবনলৈ গমন—অসমীচিন বুলি মই ভাবোঁ, কিয়নো সদ্যহতে পাণ্ডৱসৱ তাতেই আছ। তোমালোকে হয়তো পাণ্ডৱক একোৱেই নকৰিবা, কিন্তু তথাপি তোমালোকৰ দুৰ্নাম হ'ব। আৰু—পাণ্ডৱসৱৰ

থকা এক সুদীৰ্ঘ বিশাল বহল সৰোবৰৰ পাৰতে তম্বু তৰিবলৈ মনস্থ কৰিলে।

সেই সুনির্মলজলসম্বন্বিত সৰোবৰৰ অন্য পাৰত আছিল ধৰ্মৰাজৰ আশ্ৰম। দুৰ্য্যোধনে যেতিয়া দ্বৈতবন পালেগৈ, ঠিক সেইছোৱা সময়ত ধৰ্মৰাজে ব্ৰাহ্মণবৰ্গৰ সহায়তাৰে সদ্যস্ক নামৰ যজ্ঞ পাতিবলৈ যো-জা কৰি আছিল।

দুৰ্য্যোধনৰ আদেশত অনুচৰহঁতে সেই সৰোবৰৰ পাৰত কুটীৰ নিৰ্মাণৰত কামত লাগি পৰিল। তেতিয়া সেই মহাজলধি সৰোবৰৰ গন্ধৰ্ব-ৰক্ষকসৱে এই কাৰ্য্যত বাধা দিলে আৰু ক'লে, "আমাৰ মহাৰাজৰ আদেশ—এই স্থানত কোনো মনুষ্যক থাকিবলৈ দিয়া নহ'ব। এতেকে—তোমালোকে এহি স্থান এৰি এতিয়াই অন্যস্থানলৈ যোৱাঁ।"

অনুচৰহঁতে দুৰ্য্যোধনক এই কথা কোৱাত দুৰ্য্যোধন বমকি উঠিল, আৰু তিগ্মামান্তি খঙৰে আৰু দম্ভৰে সৈতে গন্ধৰ্বমখাক তুৰন্তে মাৰি-কাটি যমৰ আলহী কৰিবলৈ সৈন্যহঁতক কটকটীয়াকৈ আদেশ দিয়া হ'ল।

সৈন্যহঁত সেই সৰোবৰলৈ লৰৰি গ'ল, আৰু গন্ধৰ্বসৱক কোৱা হ'ল, "এহি বনত মহাৰাজ দুৰ্য্যোধন স্থিত হৈছে, আৰু তেওঁ বন-বিহাৰ কৰি আছে। তেওঁ তোমালোকক এই ঠাইৰপৰা অনতিপলমে গুচি যাবলৈ আদেশ প্ৰদানিছে। যদি নোযোৱা, তোমালোকক বধ কৰা হ'ব।"

সৈন্যহঁতৰ নায়কৰ কথা শুনি সকলো গন্ধৰ্ব হাঁহি উঠিল। গন্ধৰ্বসৱে কৌৰৱসৈন্যবাহিনীৰ নায়কক ক'লে, "তোমালোকে কাকনো ডৰাব খুজিছা? আমাৰ মহাৰাজ হ'ল চিত্ৰসেন। গতিকে—তোমালোকে অযথা বাক্য-বিনিময়ৰ পথ পৰিহাৰ কৰি ভালে-কুশলে এইস্থান এৰি গুচি যোৱা, নাইবা—এই সৰোবৰৰ সৌ সিপাৰত থকা ধৰ্মৰাজৰ আশ্ৰয়ত থাকাঁগৈ। এই স্থান—আমাৰ মহাৰাজ চিত্ৰসেনৰ বিহাৰ-স্থল। আমাৰ অনুমতি বিনে ইয়াত কোনেও তম্বু তৰিব নোৱাৰৈ।"

সৈন্যহঁতৰ নায়কৰপৰা এই সম্বাদ পাই দুৰ্য্যোদন জুইহেন ভমককৰে জ্বলি উঠিল আৰু দম্ভৰে সৈতে কৈ উঠিল, "মোলৈ আদেশ দিব পৰা গন্ধৰ্বনো কোন? আমি কৌৰৱগণ যে কিমান বলৱান—সেই কথা এই মূৰুখবোৰ মূৰুখহঁতে—গো-মাৰ্গা গন্ধৰ্বমখাই কিজানি

নাজানেই। সিহঁতে যদি মোৰ আদেশমতে সেই ঠাই এৰি গুচি নোযোৱা হয়, তেনেহ'লে সিহঁতৰ সংহাৰ যে — সুনিশ্চিত—সেই কথা সংহৰি ক'ব পাৰোঁ।"

দুৰ্য্যোধনে সেহিক্ষণতে গন্ধৰ্বহঁতক কুচ-কটা দিবৰ আজ্ঞা প্ৰদানি তেওঁৰ সৈন্যবাহিনীৰ নায়কক সৰোবৰলৈ বুলি ওভোতাই পঠালে।

আৰু—গন্ধৰ্বসৰেও ৰজা চিত্ৰসেনৰ অনুমতি পাই দুৰ্য্যোধনৰ সৈন্যহঁতক বিজুলীগতিৰে সংহাৰ কৰিবলৈ ধৰিলে।

কৰ্ণ অলপমান আঁতৰত দণ্ডায়মান হৈ আছিল। দুৰ্য্যোধনৰ শলাগ পাবলৈ এইবাৰ তেওঁ গন্ধৰ্বসৰৰ বিৰুদ্ধে ৰণ দিবলৈ জঁপিয়াই পৰিল, আৰু কৰ্ণই কিছুমান গন্ধৰ্বক বধ কৰিব পাৰিলে।

কিন্তু ইতিমধ্যে অলেখ গন্ধৰ্বসৈন্যে তালৈ উপস্থিত হ'ল, আৰু সেই গন্ধৰ্বসৈন্যসৰে কৰ্ণক চাৰিওফালৰেপৰাই আগুৰি ধৰিলে।

কৰ্ণক আগুৰি ধৰা দেখি কৌৰৱ ৰাজকোঁৱৰ কিছুমান ৰণলৈ জঁপিয়াই পৰিল, আৰু চাওঁতে চাওঁতে এক বিৰাট নাই তই নাই মই লাগিল, নিচেই ক্ষুদ্ৰ এক ঘটনাই বিৰাট-ভয়ংকৰ ঘটনাৰ ৰূপ ল'লে। আৰু—

এনে সময়তে স্বয়ং চিত্ৰসেন ৰণক্ষেত্ৰলৈ উপস্থিত হ'লহি।

আৰু—চিত্ৰসেনে যেতিয়া মায়াযুদ্ধ আৰম্ভ কৰিলে, তেতিয়া দুৰ্য্যোধনৰ সৈন্যহঁতে ফৰিংছিটিকা দিলে। তেতিয়া একমাত্ৰ কৰ্ণই গন্ধৰ্বসৰৰ বিৰুদ্ধে ৰণ দি থাকিল। কিন্তু অল্প সময়ৰ অন্তত গন্ধৰ্বসৰে যেতিয়া কৰ্ণৰ যুদ্ধৰথ খণ্ড-বিখণ্ড কৰি পেলালে—তেতিয়া কৰ্ণই বিকৰ্ণৰ ৰথত উঠি ৰণক্ষেত্ৰ এৰি লৰৰিলে।

দুৰ্য্যোধন গন্ধৰ্বসৰৰ হাতত বন্দী হ'ল, কিন্তুগন্ধৰ্বৰাজ চিত্ৰসেনে দুৰ্য্যোধনক বধ নকৰি জৰী এডালেৰে কটকটীয়াকৈ বান্ধি থৈ দিলে।

আৰু দুৰ্য্যোধনক বন্দী কৰাৰ পাছত—কৌৰৱৰ অন্য অন্য বীৰ-পালি-বীৰহঁতকো গন্ধৰ্বসৰে চকুৰ পচাৰতে বন্দী কৰিলে।

তেতিয়া কিছুমান কৌৰৱ-সেনাপতি ধৰ্মৰাজৰ কাষ চাপিল আৰু তেওঁক ক'লে, "হে মহাত্মা, কৌৰৱ-ৰাজকুঁৱৰীক আৰু পতিসৰকো গন্ধৰ্বহঁতে গন্ধমাদন পৰ্বতলৈ লৈ যাবলৈ ধৰিছে। কেৱল আপুনিয়েইহে এনেহেন ঘোৰ অপমানকৰ অথন্তৰৰপৰা কৌৰৱসকলক ৰক্ষা কৰিব পাৰে।"

এওঁলোকৰ কথা শুনি ভীমে হৰিষৰে কৈ উঠিল, "গন্ধৰ্বসৱে ঠিক কামকে কৰিলে। হ'বলগীয়া হ'ল। দাম্ভিক কৰ্ণক গন্ধৰ্বসৱে সমুচিত শিক্ষা দিলে। এতিয়া আমি আৰু উচ্চখাপৰ সৈন্যবাহিনী গঢ়ি তুলিবলৈ চিন্তা নকৰিলেও হ'ব। —দুখৰ সাগৰত পৰি ককবকাই থকাসকলক ঈশ্বৰেই ৰক্ষা কৰে।"

ধৰ্মৰাজে ভীমক ককৰ্থি ক'লে, "এয়েহেনে এনেবোৰ কথাৰে কটা ঘাত খাৰণিৰ চাট দিয়াৰ সময় ? এতিয়া সেই কৌৰৱসকল আমাৰ শৰণাগত, এতেকে— তেওঁলোকক সৰ্বপ্ৰযত্নৰে ৰক্ষা কৰটো আমাৰ ধৰ্ম। আমাৰ ভাতৃসকলৰ পত্নীসৱৰ অপমান— আমাৰেই অপমান নহয়নে ? মই যজ্ঞ পাতিছোঁ, গতিকে—অৰ্জুন, নকুল আৰু সহদেৱো আমাৰ কিছুসংখ্যক সৈনিকক লগত লৈ গন্ধৰ্বসৱৰ কাষ চাপক আৰু কৌৰৱ-পত্নীসৱক মুক্ত কৰি লৈ আহক। প্ৰথমেই যুদ্ধংদেহি মনোভাৱ প্ৰকাশৰ আৱশ্যক নাই। যিমানদূৰলৈ সম্ভৱ—মুখৰ মেহাৰেৰে কাৰ্য্যসিদ্ধিৰ চেষ্টা কৰিব লাগিব আৰু এই প্ৰচেষ্টা ব্যৰ্থ হ'লেহে যুদ্ধলৈ সষ্টম হ'ব লাগিব।"

অৰ্জুন, ভীম, নকুল আৰু সহদেৱেও ধৰ্মৰাজৰ ওচৰত এই বুলি বচনৱদ্ধ হ'ল যে— তেওঁলোকে তেওঁৰ আজ্ঞা আখৰে-আখৰে পালন কৰিব আৰু অৱশ্যেই কৌৰৱ-পত্নীসৱক মুক্ত কৰি লৈ আহিব। তেওঁলোক তৎক্ষণাৎ ৰতোপৰি আৰোহণ কৰি গন্ধৰ্বসৱে গৈ থকা গন্ধমাদনলৈ বুলি ৰাওণা কৰিলে, আৰু

তেতিয়া তেতিয়ালৈকো জীয়াই থকা কৌৰৱহঁতে স্বস্তিৰ উশাহ এৰিলে।

পাণ্ডৱসৱে তেওঁলোকৰ পিছ খেদি অহা বুলি জানি গন্ধৰ্বসৱে বৈ দিলে। চাওঁতে চাওঁতেই অৰ্জুন তালৈ উপস্থিত হ'ল, আৰু অৰ্জুনে গন্ধৰ্বসৱলৈ কোৱা হ'ল, "হে গন্ধৰ্বসকল, যিগৰাকী দুৰ্য্যোধনক আপোনালোকে বন্দী কৰিছে—তেওঁ আমাৰেই অন্যতম ডাঙৰ ভ্ৰাতা। আপোনাসাৱে অনুগ্ৰহ কৰি দুৰ্য্যোধনক মুক্তিপ্ৰদানক—আমাৰ অগ্ৰজ ধৰ্মৰাজৰ এয়ে ইচ্ছা।"

"আমি দেৱেন্দ্ৰৰ আজ্ঞাহে পালিছোঁ মাথোন। দেবেন্দ্ৰৰ আজ্ঞা পালন কৰা আমাৰ ধৰ্ম।" গন্ধৰ্বসৱে ক'লে।

"নাৰীসৱক বন্দী কৰি লৈ যোৱাটো

Sankar

গন্ধৰ্বৰাজক নুশুৱায় । এই কাৰ্য্য অতিকৈ' নিন্দনীয়, অশোভন, আৰু ঘোৰ অন্যায়।

কিন্তু তথাপি গন্ধৰ্বসৱে অৰ্জুনৰ প্ৰস্তাৱ দলিয়াই পেলালে, আৰু ৰণ দিবলৈ সাজু হৈ পাণ্ডৱসৱলৈ ৰণলৈ আহ্বানিলে।

যুদ্ধ কৰি থকাতে গন্ধৰ্বৰাজ চিত্ৰসেনে অৰ্জুনক ক'লে, "অৰ্জুন, তুমি মোক চিনিব পৰা নাইনে? মই তোমাৰ মিত্ৰ—চিত্ৰসেন।"

অজুনে গন্ধৰ্বৰাজ চিত্ৰসেনক ক'লে ধৰ্মৰাজৰ আদেশ পালনেই আমাৰ প্ৰধান ধৰ্ম। হে ৰজা চিত্ৰসেন, আপুনি অনুগ্ৰহ কৰি ধৰ্মৰাজৰ সমীপস্থ হওক আৰু ধৰ্মৰাজক আপোনালোকৰ কথাখিনি বুজাই কওক। আপোনাৰ শিষ্যৰূপে এয়েহে মোৰ প্ৰাৰ্থনা।'

পাণ্ডৱৰ লগ লাগি গন্ধৰ্বৰাজ চিত্ৰসেন ধৰ্মৰাজৰ সমীপলৈ গ'ল, আৰু যুদ্ধৰ আগৰ আৰু যুদ্ধক্ষেত্ৰত ঘটা ঘটনাৱলী সবিস্তাৰে ধৰ্মৰাজক বিবৰিলে।

চিত্ৰসেনৰপৰা সকলো বিবৰণ শ্ৰৱণ কৰাৰ অন্তত ধৰ্মৰাজে চিত্ৰসেনক ক'লে, "হে গন্ধৰ্বৰাজ, আপুনি যে আমাৰ দুৰ্য্যোধনক নবধিলে—সোয়া আমাৰ পৰমতম সৌভাগ্য। আমাৰ বংশ এক মহা দুৰ্দৈৱৰপৰা, বিৰাট বিপাঙৰপৰা ভাগ্যবশতঃ ৰক্ষা পৰিল। আপুনি কষ্ট কৰি মই নিঃকিনৰ ওচৰলৈ অহাত অতি হৰষিত হৈছোঁ। আপুনি মোৰ অনুৰোধ দলিয়াই নেপেলাই দুৰ্য্যোধন আদিক আৰু লগতে তেওঁলোকৰ পত্নী-পুত্ৰীসকলকো মুক্তি প্ৰদানক।"

স্বয়ং ধৰ্মৰাজৰ অনুৰোধত গন্ধৰ্বৰাজ চিত্ৰসেনে বন্দী-বন্দিনী কৌৰৱ-কৌৰৱিনীসকলক সসম্মানৰে মুক্তিদিলে, আৰু তাৰ পাছত ধৰ্মৰাজৰপৰা তথা পাণ্ডৱসৱৰপৰা বিদায় লৈ ঠিক তেতিয়াই পুনৰ স্বৰ্গলোকলৈ বুলি যাত্ৰা কৰিলে।

অতঃপৰ ধৰ্মৰাজে দুৰ্য্যোধনক মতাই অনালে আৰু ক'লে, "হে ভ্ৰাতা, ভৱিষ্যতত এনেহেন দুঃসাহস কদাপি নকৰা। এনেবোৰ অসজ-অন্যায় কাৰ্য্যই জীৱনলৈ কোনোবিধৰ সুখ-শান্তি কঢ়িয়াই নানে, কঢ়িয়াই আনে কেৱল কুলাই-পাচিয়ে নধৰা আলৈ-বিলৈৰ মহাদুঃখভাৰ। যি ঘটনা ঘটিল পাহৰি যোৱাঁ আৰু অন্তেষপুৰীয়া নাৰীসৱক লৈ নিৰাপদে প্ৰত্যাবৃত হোৱাঁ।" [আগলৈ



চান্দমামাৰ খুচ-খবৰ

আইৰ ডাক-টিকেট

আই টেৰিজাই ১৯৭১ চনত শান্তিৰ বাবে ন'বেল বঁটা পোৱা হৈছিল। ১৯৮০ চনত ভাৰত চৰকাৰে মাদাৰক ভাৰতৰত্ন প্ৰদান কৰি সন্মান জ্ঞাপন কৰিছিল আৰু তেওঁৰ নামত ডাক-টিকেট উলিয়াইছিল। তেওঁ যেতিয়া ন'বেল বঁটা পাইছিল, তেতিয়া স্যুয়িডেন নামৰ দেশখনেও তেওঁৰ নামত ডাক-টিকেট উলিয়াইছিল। সদ্যহতে, মধ্য-ইতালিৰ ছানম্যাৰিনোৰপৰা মাদাৰৰ সন্মানত 'ইউৰোপা' নামৰ ডাক-টিকেট উলিয়ালে। এই টিকেটৰ ওপৰত যি চিত্ৰ আছে, সেই চিত্ৰ ইতালিৰ সুবিখ্যাত অভিনেত্ৰী লোলো ব্ৰিগিডাই চিত্ৰিত কৰিলে। এই চিত্ৰত মাদাৰ টেৰিজাৰ চিত্ৰ থকাৰ

উপৰি তেওঁৰ হস্তাক্ষৰো আছে। টিকেটখনৰ নাম'মাদাৰ টেৰিজ-ডি-ক্যালকাটা'—অৰ্থাৎ 'কলিকতীয়া মাদাৰ টেৰিজা'। এই টিকেটৰ মূল্য ৭৫০ লিৰা। ১৯৭৫ চনত আন্তৰ্জাতিক আহাৰ-সংস্থাৰপৰা মাদাৰলৈ প্ৰদত্ত 'ছিৰিছ পদক'ৰ চিত্ৰও টিকেটত আছে। এই পদকৰ সাৰাৰ্থ হ'ল—'সমগ্ৰ মানুহলৈ আহাৰ্য্য'। সৰ্বমানৱৰ ক্ষুধাৰ নিবৃত্তিৰ বাবে সংগ্ৰামীক এই পদক প্ৰদত্ত হয়।

পঢ়ুৱৈৰ পদুমনি

কলিকতাৰ ছাউথ পয়িণ্ট নামৰ পঢ়াশালিখন চল্লিছ বছৰীয়া হ'ল। ১৯৫৪ চনত যেতিয়া এই পঢ়াশালিখন প্ৰতিষ্ঠিত হৈছিল, তেতিয়া এই পঢ়াশালিখনত পঢ়ুৱৈৰ সংখ্যা আছিল—সৰ্বমুঠ সোতৰজন। এতিয়া এইখন পঢ়াশালিত ছাত্ৰৰ সংখ্যা—বাৰ হেজাৰ।

বোল-বলিয়া

মিথুন দেৱাংগন হ'ল মুম্বইৰ (বম্বে) হোটেল এখনৰ ৰান্ধনি মানুহ। মিথুনে কোনোবা এখন হিন্দী বোলছবি দুশবাৰ চাইছে, আৰু এতিয়াও আজৰি পালেই চায়। এই বাবে মিথুনে কমেও পাঁচহেজাৰ টকা খৰচ কৰিলে।

বিৰল বৰদিন

একেদিনাই বৰদিন আৰু পূৰ্ণিমা অতি বিৰল ঘটনা। যোৱা বছৰৰ ডিছেম্বাৰৰ বৰদিন আছিল এনেহেন বিৰল বৰদিন। যোৱা বিছ শতিকাত এনেহেন বৰদিন সৰ্বমুঠ সত্তৰ বাৰ হৈছে। বিংশ শতিকাত হৈছে পাঁচবাৰ অৰ্থাৎ ১৯০১, ১৯২০, ১৯৩৯, ১৯৭৭ আৰু ১৯৯৬ চনত পূৰ্ণিমা আৰু বৰদিনৰ যুগল-মিলন ঘটিছিল। পুনৰ এবাৰ এই মিলন চাবলৈ হ'লে উনৈছ বছৰলৈ বাট চাব লাগিব, অৰ্থাৎ ২০১৫ চনলৈকে বাট চাব লাগিব।

কাজু

কাজু হ'ল এবিধ বাদাম। কাজু-বাদাম আৰু কাজু-বাদামৰ তেলৰ বেপাৰত এতিয়া ভাৰতৰ স্থান বিশ্বখনৰ প্ৰথম শাৰীত। শতকৰা ৯০ ভাগ কাজু বাদাম আৰু কাজু-তেলৰ বণিজ-বেপাৰ ভাৰতৰেপৰাই হয়।

দৰাচলতে কাজু হ'ল ব্ৰাজিলদেশৰ ফল। এই ফল ব্ৰাজিলৰপৰা পৰ্টুগিজসকলে ভাৰতলৈ লৈ আহিছিল—প্ৰায় চাৰিশ বছৰৰ আগেয়ে। কাজু-খেতি ঘাইকৈ দক্ষিণ-ভাৰততে হয়, যদিও মুম্বই অৰ্থাৎ বম্বেৰপৰা কন্যাকুমাৰিকালৈকে কাজুৰ খেতি-বাতি পৰিলক্ষিত হয়। ভাৰতৰ পশ্চিম-সমুদ্ৰতটত কাজু প্ৰচুৰভাৱে ওপজে। ভাৰতত ওপজা কাজুৰ শতকৰা সত্তৰভাগেই এই অঞ্চলত ওপজে। যিবোৰ অঞ্চলত অধিক জহ বা জাৰ নাই—সেইবোৰ অঞ্চলেই হ'ল কাজুৰ ভঁৰাল।

কাজুগছ পোন্ধৰ মিটাৰলৈকে ওখ হয়, আৰু ত্ৰিশ-চল্লিছ বছৰলৈকে জীয়াই থাকে। কাজুগছৰ পাতবোৰ বহল-বহল আৰু ডাঠ। ডিছেম-বাৰৰপৰা মাৰ্চ মাহলৈকে থোপা-থোপাকৈ কাজুৰ ফুল ফুলে, ফল ওপজে, আৰু ৬০-৭০ দিনতে ফলবোৰ পকে। উদ্ভিদবিদ্যাত কাজুৰ গুটি ফলৰপৰা ওলোৱটেশ এক বিচিত্ৰ বিস্ময়। গুটিৰ চাৰিউফালে থকা টানৰো টান খোলা যেতিয়া কুমলি আহে, তেতিয়া তাৰ বৰণ হয় সেউজীয়া। কিন্তু পকিবলৈ লওঁতে এই বৰণ আৰু নথকা হয়। এজোপা কাজুগছৰপৰা সাধাৰণতে বছৰি ৩০-৩৫ কিল'গ্ৰ্যাম ফল উৎপন্ন হয়। কাজু ফলত মূল্যৱান 'লো' আৰু ভাইট্যামিন 'এ' আদি পোষক-পদাৰ্থ প্ৰচুৰ পৰিমাণে বিদ্যামান। কাজুৰ ফল কেঁচাও খোৱা হয়, ভাজিও খোৱা হয়।

কাজুক হিন্দী, মৰাঠী, গুজৰাটি আৰু বাংলাত 'কাজু' বুলি কোৱা হয় (প্ৰাচীন বাংলাত কাজুক 'হিজলি বাদাম' বুলি কোৱা হৈছিল), তামিলত 'মুন্দিৰি', তেলুগুত 'জিডিমামিড়ি', আৰু মলয়ালমত 'কাছু-অণ্ডি' বুলি কোৱা হয়।

কাজুৰ খোলাৰপৰা পেৰি উলিউৱা তেল অতি মূল্যৱান। কাজুগছৰ কাঠ জাহাজ-নিৰ্মাণত ব্যৱহৃত হয়।



বালখিল্য

পুৰাণ-মতে—ব্ৰহ্মাৰ নোমৰপৰা হোৱা বুঢ়া আঙুলিৰ সমান মহাতপী ঋষি হ'ল—বালখিল্য। অঙ্গুষ্ঠ-প্ৰমাণ এই বামন ঋষি-সম্প্ৰদায়ৰ সংখ্যা হেনো ষাঠি সহস্ৰ আছিল। বালখিল্যই হেনো বৃক্ষশাখাত ওলোমা-বাদুলিৰ দৰে ওলমি থাকি তপস্যা কৰিছিল।

এবাৰ কশ্যপ প্ৰজাপতিয়ে যজ্ঞ পাতিব বুলি স্থিৰ কৰিলে। এই সম্বাদ পাই ইন্দ্ৰ প্ৰমুখ দেৱতা আৰু অনেক মুনি যজ্ঞথলীলৈ আহিল আৰু যজ্ঞৰ কাৰ্য্যত যথাশক্তি সহায় অগবঢ়ালে। বালখিল্যও এই যজ্ঞত সাধ্যানুসৰি সহায় কৰিবলৈ যজ্ঞৰ কাৰণে আৱশ্যকীয় শুকান খৰিকাঠ আৰু পুষ্পৰে সৈতে যজ্ঞথলীলৈ গ'ল। ইমান কঁটীয়া-বজৰুহেন অঙ্গুষ্ঠৰ দৰে বালখিল্যমুনিলৈ চাই ইন্দ্ৰই হাঁহিলে আৰু তাৰ ফলত বালখিল্য অতিপাত ক্ৰুদ্ধ হ'ল। বালখিল্যই মনতে প্ৰতিজ্ঞা কৰিলে যে—এই ইন্দ্ৰৰ সলনি অন্য এক ইন্দ্ৰৰ সৃষ্টি কৰি ইন্দ্ৰৰ দম্ভৰ যোগ্য প্ৰত্যুত্তৰ দিব। আৰু এই লক্ষ্য পূৰণাৰ্থে বালখিল্য মুনিয়ে কঠোৰ তপস্যা কৰিবলৈ ধৰিলে।

বালখিল্যৰ অভাৱিত কঠোৰ তপস্যালৈ চাই ইন্দ্ৰ বিচলিত হৈ উঠিল। তেওঁ এই তপস্যা ভংগ কৰিবলৈ কশ্যপলৈ প্ৰাৰ্থনা জনালে। ইন্দ্ৰৰ নেৰানেপেৰা অনুৰোধত কশ্যপে বালখিল্যৰ এই তপস্যা স্থগিত কৰি দিলে ; কিন্তু ইতিমধ্যেই তপস্যাৰ ফলপ্ৰাপ্ত তপোবলেৰে বালখিল্য অপাৰ শক্তিমান হৈ উঠিল আৰু বালখিল্যৰ এই তপোশক্তি গৰুড়ে স্বীকাৰ কৰিলে।

অমৃত আনিবলৈ গৰুড় যেতিয়া স্বৰ্গলৈ গ'ল, তেতিয়া ইন্দ্ৰই গৰুড়ক বাধা দিবলৈ প্ৰবল চেষ্টা কৰিলে, কিন্তু ইন্দ্ৰ এই কাৰ্য্যত সফল নহ'ল। এইদৰে, ইন্দ্ৰক শিকনি দিয়াত বালখিল্য মুনি ভালেখিনিলৈকে সফল হৈছিল।

এদিন গৰুড় এজোপা বৃক্ষৰ ওপৰত আকাশৰপৰা নামি আহিল, আৰু সেইজোপা বৃক্ষশাখাতে বালখিল্য যে ওলমি আছিল, গৰুড়ে সেই কথা নাজানিছিল। গৰুড় বৃক্ষশাখাত নমাৰ কাৰণে বৃক্ষশাখা যেতিয়া টুটিল, তেতিয়া গৰুড়ে বালখিল্যমুনিক তললৈ পৰাৰপৰা ৰক্ষা কৰি কান্ধত কঢ়িয়াই লৈ আকাশত পাক খাই থাকিল। তাৰ পাছত কশ্যপৰ দিহা মতে গৰুড়ে বালখিল্য মুনিক গন্ধমাদন পৰ্বতত নমাই দিছিল।

জানিবলগীয়া

১. ৰুশ্বদেশত তিনিশ বছৰতকৈয়ো অধিক দিনলৈ শাসন চলোৱা ৰাজ-পৰিয়ালৰ নাম কি ?

২. কোনখন দেশৰ ৰাইজে শিণ্টো-ধৰ্ম আচৰে ?

৩. সংযুক্তৰাষ্ট্ৰসংঘৰ পতাকাত কি কি ৰং আছে ?

৪. তিমিংগলৰ দাঁত কিমান ?

৫. পবিত্ৰ 'বাইবেল' গ্ৰন্থ কোন বছৰৰপৰা ব্যাপকভাবে ব্যৱহৃত হৈ আহিছে ?

৬. দবে নামৰ নৈৰ সংগমস্থল কোন সাগৰত ?

৭. ভাৰতৰ আটাইতকৈ ওখ ৰাজআলিৰ নাম কি ?

৮. কোন চৰাইৰ দাঁত আছে ?

৯. 'সপ্তঋষি'ৰ কি কি নাম ?

১০. 'আৰ্য্যভট্ট' কোন আছিল ? তেওঁ কিহৰ কাৰণে খ্যাত ?

১১. ভাৰতৰ প্ৰথমগৰাকী নাৰী-ৰাজ্যপাল কোন ?

১৩. তিৰুবল্লুবৰে ৰচা 'তিৰুকুৰল' গ্ৰন্থ কোন-বিষয়ক গ্ৰন্থ ?

১৪. ফৰাছি-বিপ্লৱৰ ধ্বনি কি আছিল ?

১৫. উইম্বলডেন-পুৰস্কাৰপ্ৰাপ্তা প্ৰথম নিগ্ৰো ক্ৰীড়াকাৰিণীৰ নাম কি ?

জানন

১. ৰোমানফ।

২. জাপান।

৩. নীলা আৰু বগা।

৪. ২০০।

৫. ১৬১১।

৬. কৃষ্ণ সাগৰত।

৭. জম্মু-কাশ্মীৰৰ লেহ্ ৰাজঅলি, ১৮৩০০ ফুট উচ্চতাত অৱস্থিত।

৮. নাই।

৯. অত্ৰি, অঙ্গিৰস, কৃত, মৰিচি, পুলহ, পুলস্ত্য আৰু বশিষ্ঠ।

১০. আৰ্য্যভট্ট হ'ল চন্দ্ৰগুপ্ত বিক্ৰমাদিত্যৰ কালৰ সুপ্ৰসিদ্ধ গণিত-শাস্ত্ৰবিদ (৪৭৬-৫২০ খৃ.), এওঁ খ-গোল অৰ্থাৎ আকাশমণ্ডলবেত্তাও আছিল

১১. সৰোজিনী নায়ডু।

১২. লৰ্ড ক্যানিং।

১৩. ধৰ্ম, অৰ্থ, কাম-বিষয়ক।

১৪. সাম্য, স্বাধীনতা, ভ্ৰাতৃত্ব।

১৫. আমেৰিকাৰ আল্‌থিয়া গিবন, মহিলা ছিংগল্ টাইটেল জিকিছিল (১৯৫৬-১৯৫৭)।

মানুহৰ আচল বেমাৰ কিহত

মানিকপুৰ গাঁৱৰ মালতী আছিল তেনেই সাধাৰণ খেতিয়ক এজনৰ ঘৈণীয়েক। সিহঁতহালৰ তিনিটি সন্তান। মালতীয়ে তাইৰ গিৰিয়েকক ভগৱান দেখাদি দেখিছিল, আৰু শাহু-শহুৰকো মান্যমান বুলি ভাবি সেৱা-যত্ন কৰিছিল। এইদৰে, পৰিয়ালখনত মালতীৰ জীৱন সুন্দৰ ছন্দৰে চলি আছিল।

এদিন হঠাৎ মালতীজনী বেমাৰত পৰিল। লাঘোনকে দৰব বুলি মানি কেইদিনমান লঘোনীয়াজনী হৈ বিছনাত শুই থাকিল, কিন্তু তাৰে বেমাৰ ভাল নহ'ল, শুকাই-খীণাই আনকি খোজো দিব নোৱাৰাহে হৈ পৰিল।

চুবুৰীয়া গাঁৱৰপৰা নামকৰা বৈদ্য গঙ্গাৰামক মতাই অনোৱা হ'ল, কিন্তু বৈদ্যৰ ঔষধেও কোনো গুণ নিদিয়া হ'ল।

এনেতে এদিন গাঁৱৰে তান্ত্রিক মহঙ্কালী মালতী- হঁতৰ ঘৰলৈ নিজে নিজেই আহিল আৰু ক'লে, "এওঁৰ বেমাৰৰ কথা মই তন্ত্ৰৰ যোগেদি জানিছোঁ, আৰু সেইহে মোৰ কৰ্তব্য বুলি ভাবি নমতাকৈয়েই আহিছোঁ। মালতী-বহিনীৰ বেমাৰ- আজাৰ একোৱেই হোৱা নাই, মালতী-বহিনীৰ গাত গাঁৱৰে চঙ্গুজনীৰ ভূতুনীয়েহে লম্ভিছে। এই কাৰণেই মালতী-বহিনীৰ বেমাৰ দৰৱে একো গুণ দিয়া নাই।"

চঙ্গুৰ নাম শুনিয়েই মালতীৰ গিৰিয়েক মহেন্দ্ৰ আৰু তাত থকা অন্যান্যয়ো ভয়ৰ কোবত কঁপি উঠিল। চঙ্গুজনীয়ে এমাহমানৰ আগতে গাঁৱৰ মিঠাপানীৰ পুখুৰীত জঁপিয়াই পৰি আত্মঘাতী হৈছিল বুলি গাঁৱৰে নহয়, দহোখন গাঁৱৰ ৰাইজেও জানে।

মহেন্দ্ৰই মহঙ্কালী তান্ত্ৰিকক সুধিলে, "তেনেহ'লে—চঙ্গুজনী ভূৰ্তু নীয়েই হ'লনে ?"

"নহ'লেনো আৰু কি হ'ব ? শাস্ত্ৰত লিখিত আছেযে—বেলিয়ে লাহ দিয়াৰ অন্তত—বিশেষকৈ সাঁজ লাগি ভগাৰ অন্তত

ৰোহিল বৰুৱা

যদিহে কোনোবাজনীয়ে আত্মঘাত কৰে—সেইজনী ধুৰুপকৈয়েই ভূতুনী হ'ব।" এই কথা কৈয়েই তান্ত্রিক মহঙ্কালী তাৰপৰা গুচি গ'ল।

গাঁৱৰে অধ্যাপক এগৰাকীয়ে মহেন্দ্রক ক'লে, "ভূতৰ ওজাৰ কথাত—বা কোনোবা তান্ত্রিকৰ কথাতো মন-কাণ নিদিব। এই বিলাকৰ কথাত কোনো সত্যতা নাথাকে।" কিন্তু অধ্যাপকৰ দিহা-পোহাই কোনো গুণ নিদিলে, বৰঞ্চ মহেন্দ্র আৰু অন্যান্যয়ো যেনিবা দিহ-মোহতহে পৰিল।

মহেন্দ্রই আন এজনক লৈ তান্ত্রিক মহঙ্কালীৰ ওচৰলৈ গ'ল। মহেন্দ্রৰ ধাৰণা হ'ল যে—মালতীজনীৰ চিকিৎসা—কেৱল তান্ত্রিক মহঙ্কালীয়েহে কৰিব পাৰিব, আন কোনেও নোৱাৰে ?

মহেন্দ্রক দেখা পায়েই মহঙ্কালীয়ে কৈ উঠিল, "মোৰ ওচলে' আইভো যে লাইগবই—জাইন্‌ছিলু মই। কিন্তুক নাহিলেও মই নিজে-নিজেই গ'লুহেঁতেন। মই তান্ত্রিকে জীয়াই থাকোঁতেও চঙ্গু-ভূতুনীয়ে মালতী-বহিনীক মাৰি পেলাব—কেনেকৈনো সহি থাকিম ? তেনেকুৱা ঘটনা মোৰ পক্ষে অপমানজনক।"

"মহঙ্কালী, হনুমানৰ পূজাৰেও কিন্তু কোনো সুফল নহ'ল।" মহেন্দ্রই চিন্তাযুক্ত মাতেৰে ক'লে।

"এইবোৰ সৰুসুৰা কামত হনুমানজীৰ নাম লোৱাটো ঠিক নহয়। গাঁৱৰ ভেলেঙীৰো ভেলেঙী চঙ্গুজনীৰ ভূতুনীক হনুমানজীয়ে খেদিবৰ আৱশ্যক নাই, আমিবোৰোই পাৰোঁ।" এই বুলি কৈ, মোনাটো কান্ধত পেলাই লৈ, মহেন্দ্রৰ পিছে পিছে মহঙ্কালী গৈ থাকিল।

ইতিমধ্যে—বাইদেৱেক মালতীৰ বেমাৰৰ বাতৰি পাই চহৰত থাকি পঢ়ি থকা অৰ্জুন মহেন্দ্রহঁতৰ ঘৰলৈ আহিছিল।

মহঙ্কালীয়ে কিছুখিনি মন্ত্র আওৰোৱাৰ





অন্তত নিমৰ ঠাৰিৰে যেতিয়া মালতীৰ পিঠিত ভূতুনী খেদোৱাৰ নামত বাবৰিফুল বাছিবলৈ ধৰিলে—তেতিয়া অৰ্জুনে চিঞৰি কৈ উঠিল, "ৰ'বা! বাইদেউক নামাৰিবা!"

অৰ্জুনৰ ধমক খাই মহঙ্কালীয়ে নিমৰ ঠাৰি দলিয়াই পেলাই দিলে আৰু অৰ্জুনক ক'লে "চহৰীয়া ছাতৰে দুনীয়াখনৰ সকলো কথা জানিব যে—তাৰ কোনো অৰ্থ নাই। ঠিক আছে, মই কালিলৈ পুনৰ আহিম, কিয়নো গাঁৱৰ চঙ্গু-ভূতুনীক গাঁৱৰপৰা খেদিঠোৱাটো মই তান্ত্রিকৰ কৰ্ত্তব্য।" তাৰ পাছত মহঙ্কালীয়ে মহেন্দ্ৰলৈ চাই ক'লে, "হোঁ, মোৰ দক্ষিণা—ক'লা কুকুৰা এযোৰ পঠাই দিবা। চাবা, ক'লীয়া কুকুৰাত বগা পাখি নাথাকে যেন।"

মহঙ্কালী গুচি যোৱাৰ পাছত অৰ্জুনে তাৰ

ভিনিহিয়েকৰপৰা বাইদেৱেকৰ বেমাৰৰ বিশদ বা-বিবৰণ জানি ল'লে আৰু ক'লে যে—ভূত-ভূতুনীহঁত কেৱল মানুহৰ কল্পনাতহে থাকে, বাস্তৱত নাথাকে, গতিকে—বাইদেউৰ প্ৰকৃত চিকিৎসা প্ৰকৃত চিকিৎসকৰদ্বাৰাইহে কৰাব লাগিব।

পাছদিনা ৰাতি পুউৱাৰ লগে লগে মহঙ্কালী তান্ত্রিক পুনৰ দীঘল দীঘল নিমৰ ঠাৰি লৈ মহেন্দ্ৰৰ ওচৰলৈ আহিল, আৰু—আহিয়েই মহঙ্কালীয়ে তাৰ মোনাত থকা নানান বিচিত্ৰ বস্তু মোনাৰপৰা উলিয়াই মাটিত থৈ দিলে।

তাৰ পাছত মহঙ্কালীয়ে তাৰ ৰঙা ৰঙা চকুৰে আকাশলৈ চাই চাই নানান মন্ত্ৰ আওৰাই মাটিত সেন্দূৰ লেপি লৈ চিঞৰি চিঞৰ ক'বলৈ ধৰিলে, "চঙ্গু—চঙ্গুবহিনী, মালতীক এৰি গাঁৱৰপৰা গুচি যা, গুচি যা—গুচু।" আৰু এই বুলি কৈ কৈ দীঘল নিমৰ ঠাৰিৰে মালতীজনীৰ পিঠিত উৰাই-ঘূৰাই কোবাবলৈ ধৰিলে।

আৰু—মুহূৰ্ততে হাতত দুডাল জ্বলি থকা তেঁতেলীৰ ঠাৰি লৈ ধুমাৰ্জয় ধুমুহাৰদৰে লৰৰি আহি অৰ্জুনে তান্ত্রিক মহঙ্কালীক ক'লে, "আৰে মহঙ্কালী, মই সেইবোৰ ভূত-ভূতুনীৰ কোনো লগা-ভগা নহওঁ—মই হ'লোঁ অম্বা, চঙ্গু হ'ল, মোৰেই বহিনী। এই কথা মই ভালকৈ জানো যে—মোৰ বহিনী চঙ্গুজনী পুখুৰীৰ পানীত ডুবি মৰোঁতে তুমি পাৰত থিয়ৈ থিয়ৈ মজা মাৰিছিলা। চোৱাগৈ—সেই চঙ্গুজনীয়ে তোমাৰ জুপুৰিত জুই লগাই দিলে। আৰু শুনা, উপজি-পুৰাতেই যদি এই গাঁও এৰি গুচি

নগৈছা—এই জ্বলি থকা তেঁতেলীৰ ঠাবিৰে তোমাকো পুৰি খাম।"

মহঙ্কালী তান্ত্রিকে অৰ্জুনৰূপী অম্বা পিশাচৰ কথা শুনি ডৰতে ধাৰৰ নল কঁপা দি আছিলেই, এইবাৰ সি ফেঁটীবমূৰ ছিঙা লৰ দি বিজুলী গতিৰে পলাই থাকোঁতে ক'লে, "অম্বা—তোলৈ নমস্কাৰ জনাইছোঁ মোক খে-মি-বি।"

কিন্তু অৰ্জুনে পলৰীয়া মহঙ্কালীক গবামাৰি ধৰিলে আৰু তেঁতেলীৰ ঠাবিৰে উৰাই-ঘূৰাই মাৰি ভৈয়াম কৰিহে এৰিলে।

তাত গোট খোৱা মানুহখিনি এই ঘটনাত আচৰিত হৈ পৰিল। তেওঁলোকে এই কথা-কাণ্ডৰ আগ-গুৰি একোৱেই ভালকৈ ঠাৱৰ কৰিব নোৱাৰি মনে মনে থাকিল।

ভাগৰি পৰা অৰ্জুনে এলোটা পানী পি-খোৱাৰ অন্তত তাৰ বাইদেউক কাষতে বহুৱাই লৈ বহি থাকিল। তেতিয়া ভিনিহীয়েক মহেন্দ্ৰই খুলশালিয়েকক সুধিলে, "অৰ্জুন, চন্দ্ৰুজনী ভূতুনী হোৱাৰ লগে লগে অম্বাও পিশাচ হ'লনে ? অম্বাই যে তোমাত লম্ভিছে মইনো তাৰ কি-কেনেকৈ জানিম ?"

"ভিনদেউ, ভূত-ভূতুনী পিশাচ-পিশাচিনী পৰলোকত নাই—আছে ইহলোকতে — আমাৰ জীয়া মানুহ-মুনিহৰ মাজতেই। মই বাইদেউক কালিলৈ চহৰলৈ লৈ যাম, আৰু যদিহে চিকিৎসা কৰিবলৈ কিবা আছে—চিকিৎসা কৰাম—নতুবা তাত কিছুদিনলৈ ৰাখি ভালৰো ভালকৈ খুৱাই-বুৱাই জিৰণি দিয়াম। ভিনদেউ, মোৰ বাইদেউৰ মাজত ঘাই বেমাৰ একোৱেই মই দেখা নাই, কিন্তু দিনে-নিশাই নানান কাম-বন কৰি কৰি জিৰণি নাপাই বাইদেউ যে হাড়ে-ছালে লগা হৈ পৰিছে—তালৈ আপুনি কোনোদিনেই মন কৰা নাই।—বাইদেউক তিনি মাহমান মই চহৰতে ৰাখিম, তাৰ পাছত পুনৰ ইয়ালৈ লৈ আহিম। ইতিমধ্যে—আপুনি ডাঙৰজন ভাগিনৰ বিয়া পতাৰ যো-জা কৰক, ঘৰত লখিমী বোৱাৰী এজনী আনিবলৈ যত্নপৰ হওক।"

"তোমাৰ কথাখিনি মই দলিয়াই নেপেলাওঁ, অৰ্জুন। তোমাৰ সৎ পৰামৰ্শ মই মনে-চিতে মানি লৈছোঁ। মই এই কথা আজিহে বুজি পোৱা হৈছোঁ যে—মানুহৰ আচল বেমাৰ মনতহে।" মহেন্দ্ৰই নিজৰ ক্ৰটি মানি লৈ স্বস্তি লভিলে আৰু আগলৈ নিজক শুধৰালে।



প্ৰগল্‌ভ পাঁজি

বহু বহুকালৰ আগৰ কথা। জনকপুৰৰ সামন্ত ৰজা ভূপতৰাম বাহাদুৰে তেওঁৰ পুত্ৰৰ ৰাজ্যাভিষেকৰ দিনা ৰাজ্যৰ কবি, পণ্ডিত, শাস্ত্ৰজ্ঞ, পুৰোহিত, কলাবিদ প্ৰমুখক সপৰিয়ালে নিমন্ত্ৰণ কৰিছিল আৰু এই উৎসৱ উপলক্ষ্যে সকলো নিমন্ত্ৰিতয়েই নিমন্ত্ৰণ ৰক্ষা কৰিছিল।

ৰজাই নিমন্ত্ৰিতসকলৰ যোগ্যতা অনুসাৰে উপহাৰ-উপঢৌকনৰ তালিকা যুগুতালে ; কিন্তু সমভাৱেই সকলো নিমন্ত্ৰিতক আদৰ-আপ্যায়ন কৰিলে।

নিমন্ত্ৰিতসকলৰ মাজত পৱনপুৰৰ পুৰোহিত প্ৰগল্‌ভ শ্ৰাস্ত্ৰীও আছিল অন্যতম। ৰজাই যুগুতোৱা উপহাৰউপঢৌকনৰ তালিকাত তেওঁৰ নাম উচ্চশ্ৰেণীত নথকাত তেওঁ বিতুষ্ট হ'ল।

যেতিয়া অভিষেক-সভাত তেওঁৰ নাম ঘোষণা কৰা হ'ল, তেওঁ যুৱৰাজৰ সমীপলৈ গ'ল আৰু যুৱৰাজে প্ৰদান কৰা চাৰিটা মোহৰ ল'লে। ল'লে—কিন্তু ক'লে, "যুৱৰাজ, যোৱা চাৰিদিন ধৰি এই পুৰস্কাৰৰ বাবে ইয়াত ৰৈ থকা নাই। আমাৰ গাঁৱত চাৰিদিন ধৰি ৰাইজৰ আচাৰ-অনুষ্ঠানৰ বাবে শুভ-দিন শুভ-ক্ষণ পঞ্জিকা চাই কৈ দিয়াহেঁতেন—যি আপোনাৰপৰা পালোঁ তাতকৈ ভালেখিনি অধিকেই পালো-হেঁতেন। আপুনি যদি বেয়া নাপায়, ক'ৱেঁই—আপোনাৰ ৰাজ্যৰ কোনাবা এখন গাঁৱৰ পুৰোহিতক আপুনি অনুগ্ৰহ কৰি যি পুৰস্কাৰ আগবঢ়ালে, সেইখিনি মই পুৰোহিত অভিষেকৰ উপঢৌকন হিচাপে আপোনাক দিলোঁ, গ্ৰহণ কৰি ধন্য কৰক। শতমানং ভৱতি। "এই বুলি আশীৰ্বাদ কৰি, মোহৰ চাৰিটা প্ৰগল্‌ভ শাস্ত্ৰীয়ে যুৱৰাজৰ হাততে ওভোতাই দিলে।

প্ৰগলভ শাস্ত্ৰীৰ এই অৱমাননাকৰ কাৰ্য্যত তাত উপস্থিত থকা সকলোটিয়েই ক্ৰুদ্ধ-ক্ষুদ্ধ

লক্ষ্মীকান্ত লহকৰ

হ'ল। কিন্তু ৰজাই প্ৰশান্ত কণ্ঠেৰেই ক'লে, "ৰজা এজন হ'ল বৈযোৱা নৈৰ দৰে, পাত্ৰ চাই জল দান কৰে। ঠিক তেনেকৈয়েই— পাত্ৰৰ খ্যাতিৰ পৰিমাপত উপহাৰ-উপঢৌকন নিৰ্দ্ধাৰিত হৈছে। আপুনি যদি তাতোকৈ অধিকৰ অধিকাৰী, সেই অধিকাৰ জ্ঞাপনৰ অধিকাৰ আপোনাৰ নিশ্চয় আছে, কিন্তু এই পদ্ধতিৰে জনোৱাটো উচিত হয়নে নহয়, সামজুৱাসকলেই স্থিৰ কৰক।"

ৰজাৰ যুক্তিপূৰ্ণ কথাত প্ৰগল্ভ শাস্ত্ৰী তলমূৰ হ'ল আৰু তেওঁ ৰজাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে।

তেতিয়া ৰজাই বিভিন্ন প্ৰশ্নৰ যোগেদি প্ৰগলভ শাস্ত্ৰীৰ পৰীক্ষা ল'লে, আৰু তেওঁক প্ৰথম শ্ৰেণীৰ উপঢৌকন দিবলৈ চুপাৰিছ কৰিলে।

যদিও প্ৰগল্ভ শাস্ত্ৰীয়ে ৰজাৰপৰা ক্ষমা খুজিছিল, তথাপি, গাঁৱলৈ উভতিয়েই তেওঁ তেওঁৰ এই মৰ-সাহৰ বাবে—ৰাজকো দেও নোবোলাৰ বাবে—গাঁৱৰ ৰাইজৰপৰা বিপুল অভিনন্দন লভিলে।

আৰু তাৰ ফলত প্ৰগলভ শাস্ত্ৰী ওফন্দি উঠি ভেমটো ভেমটো কলহৰ কাণটো হৈ তেওঁৰ পৌৰোহিত্যৰ দক্ষিণাৰ পৰিমাণ ভালেখিনি বঢ়াই দিলে, কি ধনিক-কি দৰিদ্ৰ সকলোটিয়েই—কি বিয়া কি ব্ৰত সকলো অনুষ্ঠানতে একেই পৰিমাণৰ দান-দক্ষিণা দিব লাগিব।

সেই সময়ত ৰজাৰ সভাকবি আনন্দৰ পিতাক লোকান্তৰিত হৈছিল, আৰু শৰাধৰ দিনা স্বয়ং ৰজাও উপস্থিত হৈছিলহি।

শৰাধৰ অনুষ্ঠানৰ অন্তত, চিন্তাগ্ৰস্ত আনন্দকবিক ৰজাই ক'লে, "আপুনি পণ্ডিত ব্যক্তি, জ্ঞানী। পিতৃৰ অভাৱ—একোতেই পূৰণ নহয়, এই কথা সত্য, তথাপি আপুনি দুখত দোঁ খাই নপৰক। কিয়নো—মৃত্যু হ'ল



এক প্ৰশ্নবিহীন মহাসত্য।"

ৰজাৰ কথাৰ উত্তৰত আনন্দই ক'লে, "মহাৰাজ, মোৰ পিতাদেৰে অনেক কষ্টেৰে এই ঘৰটো সাজিছিল। কিন্তু আমাৰ পুৰোহিত শাস্ত্ৰীদেউয়ে এইটো ঘৰত কমেও দহ বছৰৰ বাবে আমাক বসবাস কৰিবলৈ নিষেধ কৰিলে। এইটো ঘৰত থাকিলে গ্ৰহ-নক্ষত্ৰবিলাক হেনো আমাৰ প্ৰতিকূল হ'ব।"

ৰজাই এই কথাৰ বিচাৰৰ বাবে এই গাঁৱৰ প্ৰমুখ ব্যক্তিসকলক আৰু প্ৰগলভ শাস্ত্ৰীকো মতাই অনাই সমৱেত কৰিলে আৰু তেওঁলোকক ক'লে, "আপোনাসবৰ সহায় সদ্বুদ্ধি পাবলৈহে মই আপোনাসবক মতাই অনাই কষ্ট দিলোঁ। মই আমাৰ আনন্দকবিৰ ঘৰত কিছুদিনলৈ থাকিম বুলি স্থিৰ কৰিছোঁ। কিয়নো—ইয়ালৈ অহাৰ আগতে মোৰ অন্তৰত যি অশান্তি-অসন্তুপ্তি আছিল, ইয়ালৈ অহাৰ পাছত গুচিল। এতিয়া মই পৰিপূৰ্ণৰূপে প্ৰশান্ত।" তাৰ পাছত তেওঁ প্ৰগলভ শাস্ত্ৰীলৈ চালে আৰু ক'লে, "শুনিলোঁ—আপুনি আনন্দকবিক দহ বছৰৰ বাবে এই গৃহ এৰিবলৈ বিধান দিছে। এই নিষেধৰ কিবা বিকল্প উপায় আছেনে? আছে যদি — আমাক ক'বনে?"

কেইক্ষন্তেকমানলৈ মৌন হৈ থকাৰ অন্তত প্ৰগলভ শাস্ত্ৰীয়ে ক'লে, "মহাৰাজ, শাস্ত্ৰ, আচাৰ-বিচাৰ আদিৰ মূল কাৰক হ'ল— অপস্তম্ভমুনি। আমি তেওঁৰ নিৰ্দেশ মানি চলোঁ, কিন্তু দেশ-কাল-অৱস্থা-দুৰাৱস্থা আৰু বিশেষকৈ ব্যক্তি-ভেদে তাৰ পৰিৱৰ্তনো কৰোঁ। কবি আনন্দই যদি উদকশান্তি-যজ্ঞ এখন পাতে—তেতিয়া এই গৃহ নিৰ্দোষ হ'ব।"

ৰজাই মুচুককৰে হাঁহিলে আৰু প্ৰগলভ শাস্ত্ৰীৰ পৌৰোহিত্যতে উদকশান্তি-যজ্ঞ কৰোৱাৰ অন্তত ৰাজধানীলৈ উভতি যোৱাৰ আগে-আগে ক'লে, "শাস্ত্ৰী মহাশয়, আপোনাৰ প্ৰধান শাস্ত্ৰ—যিমানখিনি মই জ্ঞাত হৈছোঁ—আপোনাৰ পঞ্জিকা। এই পঞ্জিকাও আওপুৰণি হ'ল, আৰু আওপুৰণি হ'ল— আপোনালোকৰ চিন্তাধাৰাও। সময়ৰ লগে লগে সকলো সংশোধন কৰি, চালি-জাৰি চাওক—তাৰ ফলত ৰাইজৰ আৰু আপোনাৰো উপকাৰেই হ'ব। প্ৰগল্ভ শাস্ত্ৰীজীৰ নাম চিৰস্থায়ী হওক, কিন্তু পঞ্জিকা প্ৰগল্ভ নহওক — এয়ে আমাৰ কাৰ্য্য।"

উপৰলৈ থুৱালে....

ভূপাল আছিল কুবেৰগাঁৱৰ কাপোৰৰ বেপাৰী। ভূপালৰ ঘৈণীয়েক ভগৱতীজনী প্ৰকৃতাৰ্থতেই আছিল ধৰ্ম-পত্নী। ছোৱালী লখিমীজনীক বিয়া দিছিল চুবুৰীয়া গাঁৱৰ পাচলিৰ বেপাৰী চৌপালৰ ল'ৰা নেপালৰ লগত। বিয়াৰ পাছত চৌপালে তাৰ পাচলিৰ বেপাৰৰ দায়িত্ব পুতেক নেপালক গটাই দিলে।

ছোৱালী লখিমীক উপযুক্ত পাত্ৰৰ সৈতে যোৰা পাতি দিয়াৰ পাছত ভূপালে স্বস্তিৰ উশাহ ল'লে, কিন্তু ভূপালৰ যে কি হ'ল—কিয় যে ভূপাল নিজে-নিজেই চিন্তাৰ সাগৰত ডুব দিয়া হ'ল—কোনেও তাৰ কোনো ভু নাপালে।

ভূপাল দিনক দিনে শুকাই-খীণাই হাড়-ছালে লগা যেন হৈ পৰিল, আভুকীয়া হৈ উঠিল, অনিদ্ৰা তাৰ লগৰ লগৰী হ'ল—আৰু প্ৰায় সদা-সৰ্বক্ষণেই ভোৰভোৰাই থকা হ'ল। পুতেক-ঘৈণীয়েকে কথা পাতিবলৈ চেষ্টা কৰা হ'লে ভূপালে ভুৰু কোঁচাই ট টঁকৈ চাই তাৰ অপাৰ বিৰক্তিপ্ৰকাশ কৰিছিল, উত্তৰ-প্ৰত্যুত্তৰ কৰা নাছিল।

অনেকদিন ধৰি চাই-চিতি ঘৈণীয়েক ভগৱতীৰ ধাৰণা হ'ল যে ভূপালত নিশ্চয় কোনোবা অনিষ্টকাৰী ভূতে লম্ভিছে। ভগৱতীয়ে ভূতৰ ওজাক মতাই অনালে, ভূপালক ভূতীয়া-তাৰিজ পিন্ধালে ; কিন্তু তাৰেও কোনো ফল নহ'ল, ভকৰা-মতা ভূপাল ভূপালেই হৈ থাকিল।

তীৰ্থযাত্ৰা সামৰাৰ অন্তত এদিন চৌপাল ভূপালৰ ঘৰলৈ আহিল। চৌপালক দেখা মাত্ৰেই ভগৱতীয়ে উচুপিবলৈ ধৰিলে, ক'লে, "আজিকালি আমাৰ তেওঁ কাৰো সৈতে মাত-বোলকে নকৰা হ'ল। আমাৰ আগৰ দিনবোৰেই আছিল ভাল—যি দিনবোৰত তেওঁ কাপোৰৰ গাঁঠৰি মূৰত লৈ ঘৰে ঘৰে ঘূৰি ঘূৰি বিকিছিল। তেতিয়া আমি এটা সৰু ভাড়ালৈ লোৱা ঘৰত থাকিছিলোঁ—তথাপি আৰামতে

কিৰণ কৰচৌধাৰী

আছিলোঁ—আমাৰ ঘৰত অশান্তিৰ লেশমানো নাছিল। সঁচা ক'বলৈ হ'লেএতিয়াও তেওঁৰ কোনো বাস্তৱ সমস্যা নাই, কিন্তু তেওঁৰ যে কি হ'ল — আমি ক'ব পৰা নাই।"

ভগৱতীৰ কথাখিনি ধৈৰ্য্যৰে শুনি চৌপালে ভগৱতীক ক'লে, " আপুনি দুঃচিন্তা এৰক, অলপ ধৈৰ্য্য ধৰক। বোধকৰোঁ আপোনালোকৰ গ্ৰহ-বল এতিয়া ঠিক নাই। কিন্তু অলপতেই সকলো ঠিক হৈ যাব বুলি আশা কৰিছোঁ।"

তাৰ পাছত চৌপালে ভূপালৰ সৈতে কিছু পৰলৈ মাত-বোল কৰি তাৰপৰা গুচি গ'ল।

এপৰমান পাৰ হওঁতে-নৌহওঁতেই—এদিন ভগৱতীয়ে তেওঁৰ ছোৱালীজনীয়ে—লখিমীয়ে চকুপানী মচি থকা দেখা পাই আচৰিত মানি সুধিলে, "কি হ'ল—আইজনী ? কথানো কি — ? কি হ'ল তোমাৰ ?"

"কিনো ক'ম—ক'লৈনো যাম—অ'মা—মোৰ কপালত জুই লাগিল ঔ মা ঐ—। তোমাৰ জোঁৱায়েৰৰ কাৰবাৰত লোকচানেই লোকচান হ'ল—সেই দেখি পাওনাদাৰহঁতে তেওঁক আগুৰি ধৰাত তেওঁ বৰাগী হৈ ঘৰ এৰিলে আৰু—আৰু জীৱনতো ঘৰালৈ উভতি নাহিব বুলি চিঠি এখনত লিখিলে। মা ঐ—মই যে কি কৰিম — ক'লৈ যাম — " এই বুলি কৈ কৈ তাই উচুপি থাকিল।

নিজৰ কোঠাত বহি থকাতে ভূপালে এইবোৰ শুনিলে আৰু কোঠাৰপৰা বেগাই ওলাই আহি খঙাল মাতেৰে লখিমীক ক'লে "সি গুচি গ'ল—আৰু তাৰ বাপেকে—তোৰ শহুৰ-দেউতা চৌপালে কি কৰা হ'ল ?"

"দেউতা, কি ক'ম — শহুৰ-দেউতাই ক'লে যে তেওঁ মানুহৰ সামাজত আৰু মুখ উলিয়াব নোৱাৰে, ল'ৰাই নাকত কলাখাৰ ঘঁহি দিলে। তেওঁ এতিয়া আৰু একেবাৰেই ঘৰৰ বাহিৰ নোলোৱা হ'ল —।"

"আই, তাই নেকান্দিবি। নেপালক মই বিচাৰি আনিমেই বিচাৰি উলিয়ামেই তাক।" এই বুলি কৈয়েই ঘৰগোনা ভূপালে লাঠী এডাল হাতত লৈ তেতিয়াই চৌপালৰ ঘৰলৈ বুলি ওলাল।

চৌপালৰ ঘৰ পায়েই ভূপালে চৌপালৰ নাম কাঢ়ি কাঢ়ি চিঞৰি চিঞৰি মাতিবলৈ ধৰাত চৌপাল ওলাই আহিল। ভূপালে চিঞৰি চিঞৰিয়েই কৈ থাকিল, "ল'ৰাটো ঘৰ এৰি

বৰাগী হৈ গুচি গ'ল আৰু—বাপেৰে কম্বল গাত লৈ পাটী লোৱাহেন হ'ল—এয়ানো কি কথা বেঙৰ মাথা ? ব'লা দুয়ো মিলি তাক বিচাৰি উলিয়াম।"

আৰু বিচাৰি বিচাৰি শিৱপুৰ গাঁৱৰ শিৱদ'লত নেপালক বিচাৰি পোৱা হ'ল।

চৌপালে তাৰ পুতেকক কিবাকিবি ক'বলৈ মুখ মেলোঁতেই ভূপালে হাতেৰে চৌপালক ৰখাই নেপালক ক'লে, "আশ্ৰম, মঠ আদি হ'ল ভক্তসৱৰ কাৰণে, তোমাকনো ইয়াত কি লাগিছে ? বেপাৰত লোকচান হাৰাত লখ-জীপ লোহাৰা ঘৈণীয়েকক এৰি অহা পলৰীয়া কেতিয়াও বৰাগী হ'ব নোৱাৰে। ব'লাৰ ব'লা, মই ধন দিম, তুমি ধান বেচিবা ব'লা।" এই বুলি কৈ—বৰাগীৰূপী জোঁৱায়েকক এক প্ৰকাৰে ঠেলি-হেঁচিয়েই ভূপালে লৈ আহিল।

বৰাগীৰ বেশতো গিৰিয়েকক ফিৰাই পাই লখিমীয়ে ৰজাৰ ধন এক মাণিক ঘুৰাই পোৱাৰ ঠান-ভান কৰিলে।

ভূপালে চৌপালক ক'লে, "মই নেপালক যিখিনি ধন দিম—তাৰে সি স্বচ্ছন্দে পুনৰ বেহা বেপৰাৰ কৰি থাকিব পাৰিব। আৰু—তুমিও শহাৰ দৰে ঘৰৰূপী গাঁতত সোমাই নাথাকিবা, তাক দিহা-পৰামৰ্শেৰে প্ৰত্যক্ষভাৱে বেপাৰৰ কামত তাক বেহা দেখুৱাবা।"

চৌপালে আলুলৈকে উলিয়াই হাঁহিলে আৰু ক'লে, "তুমি আকৌ ধন-ধান একোৱেই নিদিলেও হ'ব। নেপালে বেহা-বেপাৰত কোনো লোকচানেই ভৰা নাই। মোক তুমি শহা বুলি ক'লা, কিন্তু আমি তোমাক এন্ধাৰ কোঠা এটাত দিনে-নিশাই সোমাই থকা দেখি মুখত পানী নোহোৱা হৈছিলোঁ, আৰু সেইবাবে, তোমাক যেনেতেনে পুনৰ সক্ৰিয় কৰি তুলিবলৈ আমি তিনিও মিলি এইখন ভাওনাৰ ভাও ধৰিছিলোঁ। আমাৰ আঁচনি পূৰিল, তোমাৰো ছুটি মিলিল।"

চৌপালৰ কথাত ভূপাল চেপাৰ মুখত পৰিল। ভূপালে এতিয়া আৰু ভুঁইকঁপত মূলা তুলিব নোৱাৰিলে, যদিও চৌপালৰ চৌতাং মৰাই তেওঁক বাৰুকৈয়েই চৌ-ঠেঙীয়া কৰিলে। কিন্তু চৌপালৰ ওপৰত, বা চৌপালৰ পো নেপালৰ ওপৰতো হোৰ তোলাৰ উপায় নাই। কিয়নোওপৰলৈ থুৱালে যে নিজৰ গাতে পৰে — সেই বুধি ভূপালে হেৰুৱা নাছিল।

ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৭ চনৰ জুন' সংখ্যাত ওলাব

S.G. SESHAGIRI



S.G. SESHAGIRI

* ফোটো-নামকৰণ দুই-তিনিটা শব্দত হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৭ চনৰ এপ্ৰিল মাহৰ ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600026.

১৯৯৭ চনৰ ফেব্ৰুৱাৰি সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফোটো : মুক্তজীৱন আকাশ-বহল
দ্বিতীয় ফোটো : গৰালতে আছে গৰল
পাওঁতা : মণিকা মহন্ত তুৰা গাৰো হিলছ মেঘালয়

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, MADRAS-600026.

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras. - 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras - 600 026 (India), Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA



Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026


এল আই চি
মানেই হ'ল
সুৰক্ষা
LIC
দুৰ্ধৰ্ষ বলাৰ এজনে যেতিয়া ভয় লগাকৈ বলটো
তোমাৰ ফালে মাৰি পঠিয়ায়, তোমাৰ
হেলমেটটোৱেতো কেৱল তোমাৰ মুখখনহে
বচাব পাৰিব,নহয় জানো ? কিন্তু এলআইচি
অৰ্থাৎ লাইফ ইন্সিওৰেন্স কৰ্প'ৰেশ্যন-এ
তোমালৈ আগবঢ়ায় গোটেই জীৱন জুৰি সম্পূৰ্ণ
সুৰক্ষা। গতিকে মা-দেউতাক সুধি এল আই চি
পলিচীৰ বিষয়ে আৰু ই তোমাকনো কেনেকৈ
সুৰক্ষা দিব সেই বিষয়ে সকলো কথা ভালকৈ
জানি লোৱা।মনত ৰাখিবা এল আই চি হ'ল
তোমাৰ শুভ-চিন্তক।
লাইফ ইন্সিওৰেন্স কৰ্প'ৰেশ্যন অব ইণ্ডিয়া
বীমা কৰক আৰু সুৰক্ষিত হওক
R K SWAMY/BBDO LIC 5825 ASSM